Content includes AI-generated material

হাঃ হাঃ ৰিয়েক্টৰ বাবে বিপদত যুৱক!



বিতং বাতৰি ৬ নং পৃষ্ঠাত

www.newsnextone.com


# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 14, 2025 ■ শুকুৰবাৰ, ১ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৯ Guwahati, Assam ।। মূল্যঃ এটকা

# বীৰেনৰ বিকল্প নাপালে! মণিপুৰত ৰাষ্ট্ৰপতি শাসন জাৰি

## মুখ্যমন্ত্ৰীৰ পদত্যাগৰ পিছতে কেন্দ্ৰ চৰকাৰৰ সিদ্ধান্ত



भारत का राजपत्र
The Gazette of India
EXTRAORDINARY
PART II—Section 3—Sub-section (i)
PUBLISHED BY AUTHORITY
No. 101] NEW DELHI, THURSDAY, FEBRUARY 13, 2025/MAGHA 24, 1946

■ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ পৰা প্ৰতিবেদন পোৱা মাত্ৰকে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে জাৰি কৰিলে নিৰ্দেশ, ভংগ হ'ল ৰাজ্যৰ বিধানসভা

ইম্ফল, ১৩ ফেব্ৰুৱাৰীঃ আশংকা কৰা ধৰণেই অৱশেষত অশান্ত মণিপুৰত ঘোষণা কৰা হ'ল ৰাষ্ট্ৰপতি শাসন। মুখ্যমন্ত্ৰী বীৰেণ সিঙৰ পদত্যাগৰ পিছত ৰাজ্যখনৰ নেতৃত্বক লৈ ঐক্যমত স্থাপন নোহোৱাত আজি উত্তৰ-পূৰৱ ৰাজ্যখনত শেষাংশ ৩ পৃষ্ঠাত

## পুৰুষতন্ত্ৰৰ গ্ৰাসত 'প্ৰেম'

■ ডঃ স্বাতী কিৰণ



বিশেষ কলম

প্ৰেম হৃদয়ৰ স্বতঃস্ফূৰ্ত অনুভৱ। চিৰসেউজ সপোন আৰু অনুপ্ৰেৰণাৰ নাম প্ৰেম। প্ৰেমে জীৱনক সমৃদ্ধিশালী ২ পৃষ্ঠাত

## আমেৰিকাত মোদী, মাস্কক কৰিব সাক্ষাৎ

ৱাশ্বিংটন, ১৩ ফেব্ৰুৱাৰীঃ আমেৰিকাত পুনৰ আৰম্ভ হৈছে কূটনৈতিক ব্যস্ততা। ভাৰতৰ শেষাংশ ৩ পৃষ্ঠাত

## লামাক দিলে জেদ নিৰাপত্তা

নতুন দিল্লী, ১৩ ফেব্ৰুৱাৰীঃ তিব্বতৰ ধৰ্মগুৰু দালাই লামাক ৩ পৃষ্ঠাত চাওক

## 'হিমন্ত বিশ্ব গুলী মাৰ, পীয়ুষে ছিণ্ডিকেট চাই আছে'

### ভাইৰেল ছিণ্ডিকেট চক্ৰৰ বাৰ্তালাপ!

ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ দিছপুৰৰ প্ৰত্যক্ষ হস্তক্ষেপতেই ৰাজ্যত চলি আহিছে সকলো ধৰণৰ ছিণ্ডিকেট! গৰু, গাহৰি, কয়লা, বাঁহ, ম'হ, চূণ, শিল, বালিকে ৫ পৃষ্ঠাত চাওক

ছিণ্ডিকেটৰ আঁৰৰ কথা তল পেলাবলৈকে গৌৰৱ গগৈক লৈ হৈছে বিতৰ্কঃ দেৱব্ৰত

## যান্ত্ৰিক বিধেয়ক আখ্যা বিৰোধীৰ

## নতুন কৰ নথকাৰ দাবীৰে আয়কৰ বিধেয়ক উত্থাপন বিত্তমন্ত্ৰীৰ



নতুন দিল্লী, ১৩ ফেব্ৰুৱাৰীঃ নতুন আয়কৰ আইন কাৰ্যকৰী কৰিবলৈ বৃহস্পতিবাৰে দেশৰ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৩ পৃষ্ঠাত




## নিযুক্তি কেলেংকাৰিত সাঙোৰ খাইছিল নাম


## প্ৰাক্তন এচিএছ বিষয়া কবিতা ডেকাৰ আত্মহনন



ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰী তদাৰকী কোষৰ তদন্তৰ সন্মুখীন হোৱা ৰাজ্যৰ এগৰাকী অৱসৰপ্ৰাপ্ত মহিলা এচিএছ বিষয়াই ৪ পৃষ্ঠাত

## গহপুৰৰ ককিলাগুৰিত চাঞ্চল্যকৰ কাণ্ড

## মে-ডাম-মে-ফিত ভাগ লোৱা পৰিয়ালক এঘৰীয়া কৰিলে শংকৰ সংঘই!





ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ ঐতিহ্যমণ্ডিত আহোম জনগোষ্ঠীয়ে পূৰ্বপুৰুষক স্মৰণ কৰি পালন কৰা মে-ডাম-মে-ফিৰ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুৰুষতন্ত্ৰৰ গ্ৰাসত 'প্ৰেম'

আৰু ঐশ্বৰ্যময় কৰে। প্ৰেম এক লিংগ নিৰপেক্ষ বিষয় ।কিন্তু বহু সময়ত প্ৰশ্ন হয়, "প্ৰেম পুৰুষতান্ত্ৰিকতাৰ গ্ৰাসত পৰিছে নেকি?" একেবাৰে সৰল ভাষাত ক'বলৈ গ'লে পুৰুষতন্ত্ৰ হৈছে এক বিশেষ সামাজিক সজ্জা, যি সজ্জাই সমাজৰ সকলো ক্ষমতা, অধিকাৰ, স্বাধীনতা পুৰুষৰ হাতত থকাটো বিচাৰে; সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাও কেৱল পুৰুষৰহে একচেতিয়া বুলি বিশ্বাস কৰে। এনে সামাজিক সজ্জাত বিশ্বাস কৰাসকলেই পুৰুষতান্ত্ৰিক।

পুৰুষতান্ত্ৰিকতাও এক লিংগ নিৰপেক্ষ বিষয়, নাৰী বা পুৰুষ উভয়েই পুৰুষতান্ত্ৰিক মানসিকতাৰ হ'ব পাৰে। যেনেদৰে নাৰী বা পুৰুষ উভয়েই নাৰীবাদী হ'ব পাৰে। লিংগ নিৰপেক্ষ বিষয় 'প্ৰেম', নাৰী আৰু পুৰুষ উভয়ৰে জীৱনলৈকে আহে একেধৰণেই; প্ৰেমে নাৰী আৰু পুৰুষ উভয়ৰে ওপৰতে সমানে প্ৰভাৱ পেলায়। কিন্তু প্ৰেমৰ প্ৰকাশৰ ক্ষেত্ৰত পুৰুষতান্ত্ৰিকসকলে নাৰী আৰু পুৰুষৰ মাজত ভিন্নতা সৃষ্টি কৰিব বিচাৰে।

পুৰুষতান্ত্ৰিক মানসিকতাৰ লোকসকলে ভাবে নাৰী সদায় নমনীয়, সহনশীল হ'ব লাগে। পুৰুষসংগীৰ সকলো অত্যাচাৰ তলমূৰ কৰি নীৰৱে সহিব লাগে। সেয়ে পুৰুষসংগীয়ে নাৰীগৰাকীক অৰ্থাৎ নিজৰ পত্নী বা প্ৰেয়সীক কৰা সমস্ত শাৰীৰিক, মানসিক অত্যাচাৰক পুৰুষতান্ত্ৰিক সমাজে নায্যতা প্ৰদান কৰে। কিছুমান বাণিজ্যিক হিন্দী চিনেমা আৰু কোনোধৰণৰ সাহিত্যিক মূল্য নথকা তৰল পেনপেনীয়া উপন্যাস কিছুমানতো প্ৰেমাস্পদে প্ৰেয়সীক চৰিওৱা, গুৰিওৱা, গালি পৰা, শাসন কৰা আদি নিৰ্যাতনক প্ৰেম হিচাপে প্ৰদৰ্শন কৰা হয়। পুৰুষসংগীৰ পছন্দমতেহে নাৰীগৰাকীয়ে কাপোৰ পিন্ধিব লাগিব, ইয়াৰ অন্যথা হ'লে যেনে পাশ্চাত্য সাজ পিন্ধি ফুৰিবলৈ গ'লে পুৰুষসংগীয়ে নাৰীগৰাকীৰ কাপোৰ জ্বলাই দিয়া ধৰণৰ নিৰ্যাতন বাণিজ্যিক হিন্দী চিনেমাত প্ৰেম হিচাপে প্ৰদৰ্শন কৰা হয়। প্ৰতিবাদৰ পৰিৱৰ্তে নাৰীগৰাকীয়ে চকুপানী টুকি সকলো মানি লোৱাকেই প্ৰেম হিচাপে দেখুওৱা হয়।

"ৱাইফ মেটেৰিয়েল" জাতীয় পদ ব্যৱহাৰ কৰি পুৰুষতান্ত্ৰিক মানসিকতাৰ মানুহে পত্নী বা প্ৰেয়সী হোৱাৰ যোগ্যতাৰ বিষয়ে লিখে - এনে নাৰীয়ে চুলি দীঘলকৈ ৰাখে, চকুত কাজল সানে, শাড়ী মেখেলা চাদৰ বা চেলোৱাৰ কামিজ পিন্ধে; কাণত ঝুমকা আৰু ভৰিত পায়েল পিন্ধে; কেতিয়াও ডাঙৰ মাতেৰে কথা নকয়; কৰ্মক্ষেত্ৰলৈ ওলাই যোৱাৰ পৰিৱৰ্তে ঘৰতেই থাকি ৰন্ধা বঢ়া কৰে। অথচ প্ৰেমৰ ক্ষেত্ৰত এনে অবান্তৰ কথা লিখা পুৰুষতান্ত্ৰিক মানুহবোৰে পাহৰি যায় নাৰী এগৰাকীৰ প্ৰথম পৰিচয় 'মানুহ', তেওঁ এক স্বাধীন সত্তা, নিজৰ ইচ্ছামতে জীয়াই থকাৰ তেওঁৰ সম্পূৰ্ণ অধিকাৰ আছে। মৰ্যদাবিহীন জীৱন এটাৰে কোনো সুখী হ'ব নোৱাৰে। নাৰী এগৰাকীয়ে চুলি দীঘল কৰিব নে চুটিকৈ ৰাখিব, ভাৰতীয় পোছাক পিন্ধিব নে পাশ্চাত্য, চাকৰি কৰিব নে নাই; বিয়া হ'ব নে নাই; সেয়া তেওঁৰ নিজা সিদ্ধান্ত। নিজৰ জীৱনটো নিজৰ কেৱল নিজৰ মতে সজোৱাৰ সম্পূৰ্ণ স্বাধীনতা পুৰুষৰ দৰেই নাৰীৰো আছে। প্ৰেম জীৱনলৈ বাৰে বাৰে আহে অথচ বিবাহ বিচ্ছেদ বা প্ৰথম জীৱনসংগীৰ মৃত্যুৰ পিছত পুৰুষৰ দ্বিতীয় বিবাহক সমাজে যিমান স্বাভাৱিকভাৱে গ্ৰহণ কৰে, নাৰী এগৰাকীৰ দ্বিতীয় বিবাহক সিমান স্বাভাৱিকভাৱে গ্ৰহণ নকৰে।

পুৰুষতান্ত্ৰিকসকলে বিচাৰে নাৰীগৰাকীয়ে ওৰে জীৱন প্ৰথম সংগীৰ বিচ্ছেদ বা মৃত্যুৰ দুখতে চকুলো টুকি টুকি জীৱন কটাওক আৰু তেওঁলোকে সেই নাৰীগৰাকীক অত্যাচাৰ কৰি বা পুতৌ কৰি 'আসুৰিক তৃপ্তি' লাভ কৰাৰ সুযোগ লাভ কৰক।সামৰণিত এষাৰ কথাই কম— এনে পুৰুষতান্ত্ৰিক মানসিকতাৰ পৰা নাৰী আৰু পুৰুষ উভয়ে মুক্ত হ'লেহে নাৰীয়ে পুৰুষৰ সৈতে সমান মৰ্যাদা, অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰিব পাৰিব আৰু সেইদিনাহে হ'ব প্ৰকৃতাৰ্থত 'প্ৰেম'ৰ জয়, সেইদিনাহে প্ৰকৃতাৰ্থত উদযাপিত হ'ব 'প্ৰেমৰ দিৱস'।

**(ডঃ স্বাতী কিৰণ এগৰাকী নাৰীবাদী লেখক আৰু শিল্পৰসিক)**

# বেতবাৰী, হালোৱাটিঙত পুনৰ বাল্য বিবাহ, পাঁচ মাহত শিৱসাগৰ জিলাত ৯ নাবালিকাক উদ্ধাৰ

**ই-সংবাদ, শিৱসাগৰ, ১৩ ফেব্ৰুৱাৰীঃ** অসমত বাল্যবিবাহ ৰোধ কৰিবলৈ কঠোৰ আইন প্ৰণয়নৰ লগতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত আৰক্ষীয়ে অব্যাহত ৰাখিছে অভিযান। অথচ ইয়াৰ পিছতো শিৱসাগৰ জিলাত হ্ৰাস হোৱা নাই বাল্য বিবাহৰ ঘটনা। শেহতীয়াকৈ একেদিনাই শিৱসাগৰ বেতবাৰী আৰু হালোৱাটিং বৰচিলা চাহ বাগানত দুগৰাকী নাবালিকা বিয়া হৈ যোৱাৰ তথ্য পোহৰলৈ অহাৰ ঘটনাই স্পষ্ট কৰিছে এই সামাজিক ব্যাধিৰ ভয়ংকৰ ছবিখন। জানিব পৰা মতে, বেতবাৰী আলি মূৰৰ সমীপৰ এগৰাকী নাবালিকাক ডিমৌৰ এজন নাবালকে আৰু গোলাঘাটৰ এগৰাকী নাবালিকাক হালোৱাটিং বৰচিলাৰ এগৰাকী কিশোৰে বিয়া কৰোৱাই। পিছত অৱশ্যে এই খবৰ লাভ কৰি দুয়োগৰাকী নাবালিকাক শিৱসাগৰ শিশু কল্যান সমিতিয়ে উদ্ধাৰ কৰে। দুয়োগৰাকীৰে বয়স ১৫ বছৰ আছিল বুলি জানিব পৰা গৈছে। পৰৱৰ্তী পৰ্যায়ত দুয়োগৰাকী নাবালিকা আৰু অভিভাৱকক কাউন্সিলিংৰ ব্যৱস্থা কৰে শিশু কল্যান সমিতিয়ে। উদ্বেগজনক বিষয় যে যোৱা ৫ মাহত ৯ খন বাল্য বিবাহৰ ঘটনা পোহৰলৈ আহে জিলাখনত। এই সময়ছোৱাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে শিৱসাগৰতো আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে চলাইছিল অভিযান। আটক কৰা হৈছিল কেইবাগৰাকী যুৱকক। কিন্তু ইয়াৰ মাজতে চৰকাৰী নীতি নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই বাল্য বিবাহত লিপ্ত হৈছিল ৯ গৰাকী যুৱক। আটাইকেইগৰাকী নাবালিকাকে পিছত শিশু কল্যান সমিতিয়ে উদ্ধাৰ কৰে। লক্ষ্যণীয় যে সম্প্ৰতি শিৱসাগৰ জিলাত যিবিলাক বাল্য বিবাহ হৈছে সেইবিলাক কোনো সামাজিক তথা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন হোৱা নাই। অভিভাৱকৰ অজ্ঞাতে হৈছে। মূলত ফেচবুক, ইনষ্টাগ্ৰাম, মবাইলত ফোন কৰা আদিৰ যোগেদি চিনাকি হৈ পিছত প্ৰেমৰ সম্পৰ্ক গঢ়ি বিয়া কৰোৱা হৈছিল। এই কথা সদৰি কৰিছে শিশু কল্যাণ সমিতিয়ে। এইক্ষেত্ৰত অভিভাৱক অতি সচেতন হোৱা দৰকাৰ বুলিও আহ্বান জনাইছে সমিতিয়ে। সন্তানে ম'বাইল কি কাৰণত ব্যৱহাৰ কৰে, ইন্টাৰনেট কিয় ব্যৱহাৰ কৰে সেই দিশ সমূহ নীৰিক্ষণ কৰি থকাটো বৰ্তমান সময়ত অতি প্ৰয়োজন বুলিও ব্যক্ত কৰিছে। নাবালক অৱস্থাত বিয়া পাতিলে কি কি শাৰীৰিক মানসিক সমস্যাৰ সন্মুখীন হ'ব, আইনে কি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে সেই সম্পৰ্কে সচেতনতা সৃষ্টি কৰাৰো পোষকতা কৰিছে শিশু কল্যান সমিতিৰ সদস্য, অধিবক্তা বন্দনা বৰদলৈয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বীৰেনৰ বিকল্প নাপালে! মণিপুৰত

বলবৎ কৰা হয় ৰাষ্ট্ৰপতি শাসন। যোৱা ৯ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিছিল বীৰেণ সিঙে। উল্লেখযোগ্য যে তেওঁৰ চৰকাৰখনে ১০ ফেব্ৰুৱাৰীত আস্থা ভোটৰ সন্মুখীন হ'বলগীয়া আছিল। কিন্তু ইয়াৰ এদিন পূৰ্বেই তেওঁ কাৰ্যতঃ ৰাজনৈতিক সংকটৰ পৰা হাত সাৰিবলৈ মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে। বিগত দুটা বছৰ ধৰি মণিপুৰত অব্যাহত থকা গোষ্ঠীগত হিংসাৰ পৰিপ্ৰেক্ষিতত বীৰেণ সিং চৰকাৰৰ ওপৰত ব্যৰ্থতাৰ অভিযোগ উত্থাপন কৰি আহিছিল বিৰোধীয়ে। সমান্তৰালভাৱে চৰকাৰৰ ভিতৰতো ক্ৰমাৎ বৃদ্ধি পাইছিল অসন্তুষ্টি। বিজেপিৰ অধিকাংশ বিধায়কে নেতৃত্ব সলনিৰ দাবীৰে দিল্লীত সাক্ষাৎ কৰিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জেপি নাড্ডাকো। বিৰোধীৰ হেঁচা আৰু দলীয় অসন্তুষ্টিৰ মাজতে ৮ ফেব্ৰুৱাৰীত দিল্লীলৈ যায় বীৰেণ সিং। তাত তেওঁ দলৰ নেতৃত্বক সাক্ষাৎ কৰাৰ পিছতে পদত্যাগৰ সিদ্ধান্ত চূড়ান্ত হয় আৰু পিছদিনাই ইম্ফললৈ উভতি আহি ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। লক্ষ্যণীয় যে, ভাৰতীয় সংবিধানৰ ১৭৪(১) অনুচ্ছেদ অনুসৰি এখন ৰাজ্যৰ বিধানসভাৰ পৰৱৰ্তী অধিৱেশন অধিৱেশন সমাপ্ত হোৱাৰ ছমাহৰ ভিতৰত আহ্বান কৰিব লাগে। অৱশ্যে মণিপুৰ বিধানসভাৰ অন্তিমখন অধিৱেশন ২০২৪ চনৰ ১২ আগষ্টত অনুষ্ঠিত হৈছিল। সেই হিচাপে আজি আছিল নতুন অধিৱেশন অনুষ্ঠিত কৰাৰ অন্তিম তাৰিখ। ইফালে, মুখ্যমন্ত্ৰীৰ পদত্যাগৰ পাছতে সোমবাৰৰ পৰা আৰম্ভ হ'বলগীয়া বাজেট অধিৱেশন বাতিলৰ নিৰ্দেশ দিছে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নতুন কৰ নথকাৰ দাবীৰে আয়কৰ

লোকসভাত উত্থাপন কৰিলে 'আয়কৰ বিধেয়ক ২০২৫'। দীঘলীয়া বিৰতিৰ অন্তত দুপৰীয়া ২ বজাত সংসদৰ অধিৱেশন আৰম্ভ হোৱাৰ ঠিক পিছতে এই বিধেয়কখন উত্থাপন কৰে সীতাৰমণে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে ১৯৬১ চনৰ আয়কৰ আইনখনৰ ঠাইত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু ইয়াক অধিক সহজ আৰু অধিক সংহত কৰি তোলা হৈছে। ইফালে সদনৰ মজিয়াত এই বিধেয়ক উত্থাপন কৰাৰ লগে লগে তীব্ৰ প্ৰতিবাদ জনায় বিৰোধী সাংসদসকলে। একাংশ সাংসদে বিধেয়কখনৰ বিৰোধিতা কৰি সংসদৰ পৰা ওৱাকআউটো কৰে। তৎসত্বেও সদনত গৃহীত কৰা হয় বিধেয়কখন। নতুন আয়কৰ বিধেয়কৰ বিৰুদ্ধে আপত্তি প্ৰকাশ কৰে কেৰালাৰ কোল্লামৰ সাংসদ এন কে প্ৰেমচন্দ্ৰনে। তেওঁ কয় যে নতুন বিধেয়কখনৰ দফা বা ধাৰা আৰু অধিক বৃদ্ধি পাইছে। ইয়াৰ উত্তৰত বিত্তমন্ত্ৰীয়ে কয় যে ১৯৬১ চনত যেতিয়া আয়কৰ আইন কাৰ্যকৰী হৈছিল তেতিয়া ইয়াত ২৯৮টা ধাৰা আছিল, যিটো সময়ৰ লগে লগে ৮১৯টালৈ বৃদ্ধি পাইছিল। অৱশ্যে নতুন বিধেয়কখনে সেই সংখ্যা ৫৩৬ লৈ হ্ৰাস কৰিছে। বিৰোধীৰ তীব্ৰ বিৰোধিতাৰ মাজতে বংগ তৃণমূলৰ সাংসদ সৌগাত ৰায়ে বিধেয়কখনক 'যান্ত্ৰিক' পৰিৱৰ্তন বুলি উপহাস কৰে। ইয়াৰ উত্তৰত নিৰ্মলা সীতাৰমণে কয় যে এই পৰিৱৰ্তন কেৱল কাৰিকৰী নহয়, মূল গাঁথনিৰ পৰিৱৰ্তন। নতুন বিধেয়কখন সহজ আৰু চুটি কৰিবলৈ আইনত শব্দৰ সংখ্যা প্ৰায় আধা হ্ৰাস কৰি সাধাৰণ হিন্দী আৰু ইংৰাজীত লিখা হৈছে। বিত্তমন্ত্ৰীয়ে বিধেয়কখন পুনৰীক্ষণৰ বাবে সংসদৰ নিৰ্বাচিত সমিতিলৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিয়ে। তেওঁ লোকসভাৰ অধ্যক্ষ ওম বিৰলাক এই সমিতিৰ প্ৰতিবেদন পৰৱৰ্তী অধিৱেশনৰ প্ৰথম দিনাই দাখিল কৰিবলৈ অনুৰোধ জনায়। বিত্তমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে নতুন বিধেয়কখনে কোনো নতুন কৰ প্ৰৱৰ্তন কৰা নাই, বৰঞ্চ পুৰণি আইনখনক সৰল কৰি তুলিছে। এই বিধেয়ক উত্থাপনৰ পাছত সংসদৰ অধিৱেশন স্থগিত ৰখা হয়। অহা ১০ মাৰ্চৰ পুৱা ১১ বজাৰ পৰা পৰৱৰ্তী অধিৱেশন আৰম্ভ হ'ব বুলি ঘোষণা কৰে অধ্যক্ষই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লামাক দিলে জেদ নিৰাপত্তা

'জেড' শ্ৰেণীৰ সশস্ত্ৰ নিৰাপত্তা প্ৰদান কৰিছে কেন্দ্ৰীয় চৰকাৰে। চৰকাৰী সূত্ৰই জনোৱা মতে, সম্ভাব্য নিৰাপত্তাজনিত ভাবুকিৰ কথা মনত ৰাখি এই সিদ্ধান্ত লোৱা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি এতিয়াৰ পৰা চিআৰপিএফৰ ভিআইপি নিৰাপত্তা শাখাই ৮৯ বছৰীয়া দালাই লামাৰ নিৰাপত্তাৰ দায়িত্ব ল'ব। সূত্ৰ অনুসৰি, এতিয়াৰে পৰা চিআৰপিএফ কমাণ্ডোৰ 'জেড' শ্ৰেণীৰ নিৰাপত্তা তেওঁৰ বাবে দেশৰ যিকোনো ঠাইতে সুনিশ্চিত কৰা হ'ব। উল্লেখ্য যে, এতিয়ালৈকে দালাই লামাৰ বাবে হিমাচল প্ৰদেশ আৰক্ষীৰ এটা সৰু নিৰাপত্তাৰক্ষীৰ দলহে মোতায়েন কৰা হৈছিল। তেওঁ যেতিয়াই দিল্লী বা আন ঠাইলৈ যায় তেতিয়াই স্থানীয় পুলিচে তেওঁৰ নিৰাপত্তাৰ ব্যৱস্থা কৰি দিছিল। অৱশ্যে চোৰাংচোৱা সংস্থাৰ পৰ্যালোচনাৰ অন্তত তেওঁক নিৰৱচ্ছিন্ন নিৰাপত্তা প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে বুলি এজন জ্যেষ্ঠ বিষয়াই জানিবলৈ দিয়ে। খবৰ অনুসৰি প্ৰায় ৩০ জন চিআৰপিএফ কমাণ্ডো পাল পাতি ধৰ্মগুৰু দালাই লামাৰ নিৰাপত্তাত নিয়োজিত হ'ব। একে সময়তে বিজেপি নেতা তথা পুৰি সাংসদ সম্বিত পাত্ৰকো মণিপুৰত 'জেড' নিৰাপত্তা প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰপতি শাসনৰ সময়তে এই সিদ্ধান্ত গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমেৰিকাত মোদী, মাস্ককো কৰিব

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৩৬ ঘণ্টীয়া সংক্ষিপ্ত ভ্ৰমণত অনুষ্ঠিত হ'বলগীয়া দ্বিপাক্ষিক বৈঠকৰ ব্যস্ত সূচীত অন্তৰ্ভুক্ত হৈছে কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিৰ নাম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণৰ অন্যতম আকৰ্ষণ হৈছে ইলন মাস্কৰ সৈতে তেওঁৰ সাক্ষাৎ। সূত্ৰ অনুসৰি বৃহস্পতিবাৰে নিশা হোৱাইট হাউছত মুখামুখি হ'ব পাৰে প্ৰধানমন্ত্ৰী মোদী আৰু স্পেচ এক্স তথা টেছলাৰ চিইঅ' মাস্ক। উল্লেখ্য যে, ড'নাল্ড ট্ৰাম্পৰ হোৱাইট হাউছ প্ৰত্যাৱৰ্তনৰ পিছত আজি প্ৰথবাৰৰ বাবে আমেৰিকা ভ্ৰমণ কৰিছে প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁৰ এই ভ্ৰমণত প্ৰব্ৰজন নীতি আৰু শুল্কক ধৰি একাধিক বিষয়ত আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ সৈতে বৈঠকত আলোচনা হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ইফালে মাস্কৰ সৈতে তেওঁৰ বিশেষ সাক্ষাতৰ খবৰে নতুন কৌতুহলৰ সৃষ্টি কৰিছে। বিশেষকৈ ভাৰতীয় বজাৰত ষ্টাৰলিংক চেটেলাইট ইন্টাৰনেট সেৱাৰ প্ৰৱেশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা হ'ব পাৰে বুলি আলোচনা হৈছে। দূৰৱৰ্তী অঞ্চললৈ ইণ্টাৰনেট সেৱা অনাৰ ক্ষেত্ৰত ষ্টাৰলিংকে ফলপ্ৰসূ ভূমিকা গ্ৰহণ কৰিব পাৰে, যাৰ ফলত ভাৰতৰ টেলিকম খণ্ডৰ আন্তঃগাঁথনি আৰু অধিক শক্তিশালী হ'ব পাৰে। আনহাতে, শেহতীয়াকৈ মাস্কৰ একালৰ বন্ধু তথা বৰ্তমানৰ প্ৰতিদ্বন্দ্বী অ'পেন এআইৰ চিইঅ' ছেম অল্টমেনৰ ভাৰত ভ্ৰমণৰ পিছত এই বৈঠক বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। অ'পেন এআইৰ প্ৰস্তাৱিত অধিগ্ৰহণক লৈ মাস্ক আৰু অল্টমেনৰ মাজত সংঘাতৰ মাজতে মোদীৰ সৈতে মাস্কৰ বৈঠকে বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। শেহতীয়াকৈ মাস্কে অ'পেন এআই ক্ৰয় কৰাৰ প্ৰস্তাৱ দিছিল, যাৰ বিনিময়ত অল্টমেনে মাস্কৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্স অধিগ্ৰহণ কৰাৰ ইচ্ছাও প্ৰকাশ কৰিছিল। এনে পৰিস্থিতিত এই দুয়োটা প্ৰযুক্তিৰ মাজত উদ্ভৱ হোৱা বিশেষ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ মাজতে মোদী-মাস্কৰ বৈঠকে নতুন আলোচনাৰ জন্ম দিব বুলি আশা কৰা হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# শিৱসাগৰৰ দৰিকাপাৰত মৃতদেহ উদ্ধাৰ, চাঞ্চল্য

**ই-সংবাদ, শিৱসাগৰ, ১৩ ফেব্ৰুৱাৰীঃ** শিৱসাগৰৰ দৰিকাপাৰত আজি এটা পুৰুষৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত থকা দৰিকা দলঙৰ কাষত উদ্ধাৰ হোৱা মৃতদেহটো অশোক কুমাৰ যাদৱ (৩২) ৰ বুলি জানিব পৰা গৈছে। দৰিকা নৈৰ চথ পূজা অনুষ্ঠিত কৰা ঘাটৰ আনটো পাৰত আজি পুৱা প্ৰায় ৫ বজাত চুবুৰীয়াই অশোক কুমাৰ যাদৱৰ মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। উল্লেখ্য যে, বিগত বহু বছৰ ধৰি অঞ্চলটোত থকা অকলশৰীয়া ব্যক্তিজনে পকামিস্ত্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল বুলি কাষৰীয়া ৰাইজে জানিবলৈ দিছে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39


# এছবিআইৰ তিনিচুকীয়া শাখাৰ বিৰুদ্ধে বেংক জালিয়াতিৰ অভিযোগ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ ফেব্ৰুৱাৰীঃ** ভাৰতীয় ষ্টেট বেংকৰ তিনিচুকীয়া শাখাৰ পৰেশ দাস নামৰ এগৰাকী ষাঠি উৰ্ধৰ গ্ৰাহকৰ ফিক্সড ডিপ'জিটৰ পৰা ১০ লাখ টকা হৰলুকি হোৱাৰ এক ভয়ংকৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, বাণিজ্যিক চহৰ তিনিচুকীয়াৰ বৰগুৰি হেঙালুগুৰি গাঁৱৰ ৬২ বছৰীয়া পৰেশ দাসে ২০২৩ চনৰ ১৪ ছেপ্টেম্বৰত তিনিচুকীয়া চহৰৰ মাজমজিয়াৰ এছ আৰ লোহিয়া পথত থকা ভাৰতীয় ষ্টেট বেংকৰ তিনিচুকীয়া শাখা (আই এফ এছ চিঃ এছ বি আই এন ০০০০১৯৬) ত ১০ লাখ টকাৰ এটা ফিক্সড ডিপ'জিট কৰিছিল। কিন্তু এক অত্যন্ত এৰাব নোৱাৰা ঘৰুৱা সমস্যাত পৰি ব্যক্তিগৰাকীয়ে লোণ এটাৰ বাবে আবেদন কৰিবলৈ যোৱা ২ ফেব্ৰুৱাৰীত বেংকৰ শাখাটোত আহি উপস্থিত হোৱাত বেংক কৰ্তৃপক্ষই দাসৰ একাউণ্টত টকা বুলিবলৈ মুঠেই নাই বুলি জনোৱাত পৰিয়ালটিৰ মূৰত যেন একপ্ৰকাৰ সৰগ ভাগি পৰাৰ দৰে হয়। ফিক্স ডিপ'জিটৰ উক্ত বৃহৎ পৰিমাণৰ টকাখিনি পলকতে নাইকিয়া হোৱা বুলি জানিব পাৰি চিন্তা আৰু শোকত শংকিত তথা আতংকিত হৈ পৰে পৰিয়ালটি। ঘটনাক লৈ পৰিয়ালটিত হুৱা-দুৱা লগাত বোৱাৰীয়েক মৌচুমী দাসৰ লগত আহি ভুক্তভোগী পৰেশ দাসে তিনিচুকীয়া সদৰ আৰক্ষী থানাত ঘটনাৰ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে দাসৰ পৰিয়ালটিক ন্যায় প্ৰদানৰ আশ্বাস দিয়ে যদিও এজাহাৰ দাখিল কৰা ৫ টা দিন অতিক্ৰম কৰাৰ পাছতো আৰক্ষীয়ে দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তুলি অসহায় পৰিয়ালটিয়ে আজি পুনৰ বেংকৰ শাখাটোত উপস্থিত হোৱাৰ লগতে সাংবাদিকৰ আগত ঘটনাৰ সন্দৰ্ভত বিৱৰি কয়। অলপতে দুজনকৈ পুত্ৰক অকালতে হেৰুওৱা দাসৰ পৰিয়ালটিত ঘটনাৰ পিছৰে পৰা নাজল-নাথল অৱস্থাই বিৰাজ কৰিছে যদিও ঘটনাৰ সন্দৰ্ভত আৰক্ষী-প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষণীয় হ'ব? আৰক্ষী-প্ৰশাসনে উচিত তদন্ত কৰিলে নিশ্চয়কৈ ৰৌ-বৰালি জালত পৰাৰ সম্ভাৱনা আছে বুলি সৰ্বত্ৰে চৰ্চা চলা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মে-ডাম-মে-ফিত ভাগ লোৱা পৰিয়ালক

মাংগলিক কাৰ্যত অংশ লোৱাৰ বাবে এটা পৰিয়ালক শ্ৰীমন্ত শকংৰদেৱ সংঘই জৰিমনা বিহাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পুনৰ শ্ৰীমন্ত শকংৰদেৱ সংঘই মে-ডাম-মে-ফিত অংশ লোৱাৰ বাবেই লোকজনক জৰিমনা বিহাৰ ঘটনাই বিশেষকৈ উজনিৰ আহোম অধ্যুষিত এলেকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গহপুৰৰ ককিলাগুৰিৰ চন্দ্ৰ বৰুৱা নামৰ লোকজনৰ পৰিয়ালক মে-ডাম-মে-ফিৰ মাংগলিক কাৰ্যত অংশ লোৱাৰ বাবে জৰিমনা বিহাৰ লগতে সংগী পদ বাতিল কৰিছে সংঘই। গহপুৰৰ শ্ৰীমন্ত শকংৰদেৱ সংঘৰ ককিলাগুৰি প্ৰাথমিক শাখাৰ সংগী আছিল চন্দ্ৰ বৰুৱা। চন্দ্ৰ বৰুৱাই ৩১ জানুৱাৰীত স্থানীয় ককিলা ৰংগমঞ্চত অনুষ্ঠিত মে-ডাম-মেফিৰ অনুষ্ঠানত অংশ লৈছিল। যাৰ বাবে চন্দ্ৰ বৰুৱাৰ পৰিয়ালক ৫০০ টকা ধৰ্মদণ্ড বিহাৰ লগতে সংস্কাৰ হ'বলৈ নিৰ্দেশ দিছে প্ৰাথমিক শাখাৰ সম্পাদক দ্ৰোণেশ্বৰ বৰাই। যদি বিহা জৰিমনা আদায় নিদিয়ে আৰু সংস্কাৰ নলয় তেন্তে সংগী পদ বাতিল হ'ব বুলি কঠোৰ সিদ্ধান্ত লোৱাৰ কথা উল্লেখ কৰিছে ককিলাগুৰি প্ৰাথমিক শাখাৰ সম্পাদক দ্ৰোণেশ্বৰ বৰাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৰা কঠোৰ নিৰ্দেশনা দিয়া জাননী পোৱাৰ পাছতে চিন্তাত দিন পাৰ কৰিবলগীয়া হৈছে চন্দ্ৰ বৰুৱাৰ পৰিয়াল। একাংশ লোকে পৰিয়ালটোৰ সৈতে মাত-বোল বন্ধ কৰা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, চন্দ্ৰ বৰুৱা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি। সেই মৰ্মে ৩১ জানুৱাৰীত ককিলাগুৰিত চন্দ্ৰ বৰুৱাৰ নেতৃত্বতে অনুষ্ঠিত হৈছিল আহোম জনগোষ্ঠীৰ পৰম্পৰাগত ধৰ্মীয় উৎসৱ মে-ডাম-মে-ফিৰ কাৰ্যসূচী। মে-ডাম-মে-ফিৰ সভাত সভাপতিত্ব কৰিছিল চন্দ্ৰ বৰুৱাই। যাৰ বাবে জৰিমনা আৰু সংস্কাৰ হ'বলৈ জাননী দিয়া হৈছে। জাননীৰ নিৰ্দেশনা পালন নকৰিলে সংগী পদ বাতিল হ'ব বুলি কোৱা হৈছে। আহোম জাতিটোৰ উত্থানৰ বাবে লাগি থকাৰ বাবেই মোৰ পৰিয়ালক বহিস্কাৰ কৰা হ'ল বুলি আক্ষেপ প্ৰকাশ কৰে চন্দ্ৰ বৰুৱাই। এই বিষয়ৰ এখন পত্ৰ সামাজিক মাধ্যমত ভাইৰেল হোৱাত সামাজিক মাধ্যমতো ব্যাপক চৰ্চা লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাক্তন এচিএছ বিষয়া কবিতা ডেকাৰ

আজি আত্মহনন কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি পুৱাই হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ প্ৰাক্তন সঞ্চালক পদৰ পৰা অৱসৰ গ্ৰহণ কৰা কবিতা ডেকাৰ মৃতদেহ জালুকবাৰীস্থিত গৃহত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। পৰিয়ালৰ লোকে নিজ শোৱনি কোঠাত ৰহস্যজনক অৱস্থাত মৃতদেহ প্ৰত্যক্ষ কৰি জালুকবাৰী আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল উপস্থিত হৈ কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে প্ৰাথমিক তদন্তত আত্মহত্যা কৰাৰ সন্দেহ কৰিছে। বিগত ২২ জানুৱাৰীত অৱসৰপ্ৰাপ্ত এচিএছ কবিতা ডেকাৰ ঘৰত মুখ্যমন্ত্ৰী তদাৰকী শাখাৰ দল উপস্থিত হৈ জেৰা চলাইছিল। হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ প্ৰাক্তন সঞ্চালক পদৰ পৰা অৱসৰগ্ৰহণ কৰা কবিতা ডেকাৰ ঘৰত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ দল উপস্থিত হৈ জেৰা কৰাৰ পিছৰে পৰা আত্মসন্মান লাঘৱ হোৱাৰ ভয় কৰি মানসিকভাৱে ভাগি পৰিছিল। অৱসৰপ্ৰাপ্ত এচিএছগৰাকীয়ে আত্মসন্মান লাঘৱ হোৱাৰ চিন্তাৰ ফলতে চূড়ান্ত সিদ্ধান্ত লোৱা বুলি সন্দেহ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে কবিতা ডেকাৰ ঘৰলৈ গৈ জেৰা কৰাৰ কাৰণ আছিল হস্ততাঁত বস্ত্ৰ শিল্প বিভাগ শিপিনী নিযুক্তি কেলেংকাৰী। কেলেংকাৰীৰ ধনেৰে গুৱাহাটীত মাটি-সম্পত্তি কৰাৰ অভিযোগ উঠিছিল। কিন্তু অভিযোগৰ প্ৰমাণ নোহোৱাকৈয়ে এই পৃথিৱীৰ পৰা বিদায় মাগিলে কবিতা ডেকা। ২০১৯ চনত হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ সঞ্চালক পদত থকাৰ সময়ত কবিতা ডেকাই ছয়গৰাকী মহিলাক মাষ্টাৰ ৰেভাৰ পদত চাকৰি দিছিল। ডেকাই উঘা, চেৰেকী, মাকো চিনি নোপোৱা লোকক চাকৰি দিয়াৰ অভিযোগ উত্থাপন কৰি কেইবাগৰাকী বঞ্চিত প্ৰাৰ্থী আদালতৰ কাষ চাপিছিল। বঞ্চিত প্ৰাৰ্থীৰ অভিযোগৰ ভিত্তিত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে নিজাববীয়াকৈ ৪/২০২৫ নম্বৰত গোচৰ ৰুজু কৰি কবিতা ডেকাৰ ঘৰত তালাচী চলাইছিল। ২০১৯ চনৰ মাটি সম্পত্তিৰ নথি-পত্ৰ বিচাৰি কবিতা ডেকাৰ ঘৰত অভিযান চলাইছিল। লগতে বেংকৰ জমা ধনৰ তথ্য সংগ্ৰহ কৰিছিল। কবিতা ডেকাৰ স্বামীৰ বেংক একাউণ্টৰো তথ্য সংগ্ৰহ কৰিছিল তদাৰকী কোষে। অৱশ্যে পদ বিক্ৰী কৰাৰ অভিযোগ অস্বীকাৰ কৰিছিল কবিতা ডেকাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'হিমন্ত বিশ্ব গুলী মাৰ, পীয়ুষে ছিণ্ডিকেট

ধৰি ধৰি চিণ্ডিকেট এতিয়া উভৈনদী অসমত। চিণ্ডিকেট চলি থকাৰ কথা প্ৰমাণ কৰিছে কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। ৰাজ্যত চৰকাৰৰ বৰঘৰৰ পৰা চিণ্ডিকেট যে চলিছে সেই কথা আকৌ এবাৰ প্ৰমাণ হৈছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অফিচিয়েল ফেচবুক পেজত শ্বেয়াৰ কৰা এটা অডিঅ' ক্লিপযোগে। যিটো অডিঅ'ই ৰাজ্যৰ ৰাজনীতিত খলকনি লগাইছে। দুজন চিণ্ডিকেট সদস্যৰ কথোপকথনত বাৰে বাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীয়ুষ হাজৰিকাৰ নাম লোৱা হৈছে। শইকীয়াই শ্বেয়াৰ কৰা অডিঅ'টোত দুজন চিণ্ডিকেটৰ সদস্যই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীয়ুষ হাজৰিকাৰ নাম লোৱাটোৱে ব্যাপক তাৎপৰ্য বহন কৰিছে। কথোপকথন কৰি থকা দুয়োজনৰ মাজৰ এজনে কয় যে 'হিমন্ত গুলী মাৰ, পীয়ুষে চিণ্ডিকেট চাই আছে' আদিৰ দৰে কথায়ো স্থান পাইছে। জানিব পৰা মতে, দুয়োজন লোক হৈছে যোৰহাট জিলাৰ। দুয়োজন লোক অসমৰ শাসকীয় দলৰ কেইবাগৰাকী প্ৰভাৱশালী লোকৰ অতি ঘনিষ্ঠ। উজনিৰ পৰা নামনিলৈ চলা চিণ্ডিকেট চক্ৰটোৰ তেওঁলোক অন্যতম সদস্য। চিণ্ডিকেট চক্ৰৰ এই অডিঅ'ই তীব্ৰ খলকনি লগাইছে। দুজন লোকৰ বাৰ্তালাপত এজনে কৈছে যে মোৰ কথাটো ভালকৈ শুনি লওক। কিবা পাৰ্চনেল মেটাৰ আছে কিবা দুচমন কৰিব। আজি ধৰক গাড়ী-মটৰৰ লগতে লাগি পেলাই, গাড়ী এখনক লৈয়ে মোৰ লগত দুচমনী কৰিছে। গাড়ী-মটৰৰ চেপ্তাৰটো অন্তৰৰ পৰা কেতিয়াবাই এৰি দিলো। গাড়ী-মটৰক লৈ দুচমন-চুচমন কৰ, দহটা মানুহ বা এশটা মানুহৰ লগত এই কথা জড়িত থাকে। প্ৰথমজনে এইখিনি কথা কোৱাৰ পিছতে দ্বিতীয়জনে উত্তৰ দি কৈছে যে মই পৰহি ২৫ লাখ দিছিলো, লোকচান হ'ল। লাষ্ট সময়ত দিয়া মই দিয়া যিটো ২৫ লাখ লোকচান হ'ল যদি নাপাও তেন্তে মই চিণ্ডিকেটৰ গোটেই মেম্বাৰ বিলাকক কৈছো গাড়ী কোনেও হিলাব নাপায়। এই চিধা চিধি কথা। আপ-টু পীযুষলৈ টকাটো দিছো। তেতিয়াও প্ৰথমজনে উত্তৰ দি কেছে যে ইদিনা হোজাইত কোৱা শুনিলো হিমন্ত ছাৰক ফোন কৰিলে। তেতিয়া দ্বিতীয়জনে উত্তৰ দি কৈছে যে হিমন্ত গুলী মাৰক। পীয়ুষে চিণ্ডিকেট চাই আছে, চিধা-চিধি কথা, ২৫ লাখ টকা মোৰ পকেটৰ পৰা গ'ল। চিণ্ডিকেটৰ এটাই কথা কৈ দিছো বাতুৰে ২৫ লাখ টকা মোক ভৰালে। মুঠতে মোৰ ২৫ লাখ টকা গুডামলৈ আহিব লাগিব। তিনিদিনৰ সময় দিছো। যদি মই ২৫ লাখ নাপাও তেন্তে বাতু বাদ দিয়ক বাতুৰ দৰে ১০ টা মানুহ ধৰিছো। প্ৰথমজনে আকৌ কৈছে যে ইদিনা আকৌ কোৱা শুনিলো যে এটকাও পইছা যোৱা নাই। তেতিয়া দ্বিতীয়জনে পুনৰ উত্তৰ দি কৈছে যে সেইটো কথা বাতুক সোধক। প্ৰথম জনে কৈছে যে হিমন্ত ছাৰক ফোন কৰিলে বোলে হিমন্ত ছাৰৰ পাৰ্টী আহিব। তেতিয়া দ্বিতীয়জন কৈছে যে হিমন্ত গুলী মাৰ। হিমন্তই চিণ্ডিকেট চলাইছে নে পীয়ুষে চলাইছে। প্ৰথমজনে আকৌ কৈছে যে মই এইবোৰ কথা বুজি পাও নেকি কওকচোন। আপুনিটো মোৰ লগত থকা। তেতিয়া দ্বিতীয়জনে পুনৰ কৈছে মোৰ এইবোৰৰ লগত মতলব নাই। মই এইবোৰ একো নাজানো পৰহিলৈ মোক টকাখিনি লাগিব। ৰিংকু ভাইটি হওক বা যিয়ে হওক মই কাৰোৰে লগত কথা নাপাতো। পৰহি লৈকে লাষ্ট টাইম দি থোৱাই আছে। আজি মোৰ গাড়ী যাব অপেন যাব। প্ৰথমজনে এইবাৰ কৈছে যে বাটুৰে আজি দিনতে গাড়ী লোড কৰিম বুলি কৈছে। তেতিয়া দ্বিতীয়জনে কৈছে যে কৰক না কৰি চাওক। গাড়ী আহি চাওক। গাড়ী পাৰ হৈ চাওক। প্ৰথমজনে কয় যে গেৰাণ্টী দিয়া হৈছে যে আজি গাড়ী হোজাই পাৰ হ'ব। দ্বিতীয়জন কয় যে মই চেলেঞ্জ কৰিছো। যদি আজি গাড়ী পাৰ কৰিব পাৰে তেন্তে মই চিণ্ডিকেট এৰি দিম। এনেকৈয়ে এতিয়া চিণ্ডিকেটক লৈ পতা কথা-বতৰা ভাইৰেল হৈ পৰাত সৰ্বত্ৰে সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। এই অডিঅ'টো শ্বেয়াৰ কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কৈছে যে ২৬ৰ নিৰ্বাচনৰ পূৰ্বে অযথা বিতৰ্কৰ সূত্ৰপাত ঘটাই বৈতৰণী পাৰ হোৱাৰ কৌশল ৰচনা কৰিছে বিজেপিয়ে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পাকিস্তান কানেকচন, আইএছআইৰ লিংক আদি যুক্তিহীন বিতৰ্কৰ আঁৰত আপোনালোকৰ উদ্দেশ্য কি অসমৰ ৰাইজে বুজি পাইছে। সেই অভিযোগৰ বিচাৰ কৰিবলৈ আইন-কানুন আছে। আপুনি এই অডিঅ'ৰ সত্যতা উপস্থাপন কৰক। অসমৰ চিণ্ডিকেটৰ ৰজা কোন? কোন এই সঞ্জীৱ গগৈ? অসমৰ ৰাইজেও এইবোৰ জনা উচিত।

# অধ্যাপক ড০ আজিবুৰ ৰহমানৰ মৃত্যু, শোকৰ ছাঁ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ মূৰব্বী তথা সহযোগী অধ্যাপক ড° আজিবুৰ ৰহমান (৫৭) ৰ আজি পুৱতি নিশা বৰপেটা ৰোডস্থিত তেখেতৰ পৰিবাৰৰ বাসগৃহত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটাৰ বাতৰি বিয়পি পৰাৰ লগে লগে চাহ নগৰী ডুমডুমাত গভীৰ শোকৰ ছাঁ পৰিছে। ২০০৫ চনত ডুমডুমা মহাবিদ্যালয়ত যোগদান কৰা ড° আজিবুৰ ৰহমানে মহাবিদ্যালয়খনৰ শৈক্ষিক দিশৰ উত্তৰণত যথেষ্টখিনি অৰিহণা যোগাই গৈছে। বিগত কিছু দিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ মৃত্যুক আঁকোৱালি লোৱা ড° ৰহমান মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য হোৱাৰ লগতে মহাবিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ দায়িত্বও সুচাৰুৰূপে পালন কৰিছিল। ড° ৰহমান মহাবিদ্যালয়খনৰ গৱেষণা কোষৰ এগৰাকী অন্যতম সদস্য আছিল। কৃতি শিক্ষক ড° ৰহমানে মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ উপৰিও আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহ: সমন্বয়কো আছিল। ইলোৰা বিজ্ঞান মঞ্চৰ সৈতেও জড়িত থকা প্ৰগতিশীল চিন্তাৰ ব্যক্তি ড° ৰহমানে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ



ওপৰত কৰা গৱেষণামূলক কামৰ ফচল, বহু গৱেষণা পত্ৰ দেশ-বিদেশৰ গৱেষণা গ্ৰন্থ, পত্ৰিকা আদিত প্ৰকাশ কৰিছিল। তেখেতৰ গৱেষণা পত্ৰই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো সমাদৰ বুটলিবলৈ সক্ষম হৈছিল। জ্ঞানপিপাসু, অধ্যয়নপুষ্ট, অল্পভাষী, অত্যন্ত গুৰুগম্ভীৰ ব্যক্তিত্বৰ অধিকাৰী ড° আজিবুৰ ৰহমানে কেইবাখনো গৱেষণামূলক গ্ৰন্থ প্ৰকাশ কৰি মহাবিদ্যালয়ৰ লগতে ডুমডুমা সমাজ জীৱনলৈ বিশেষ অৰিহণা যোগাই গৈছে। তেখেতৰ গৱেষণামূলক কামৰ স্বীকৃতিস্বৰূপে তেখেতক মালয়েচিয়াৰ 'ইউনিভাৰ্ছিটি পুত্ৰ মাল'চিয়া'ই আন্তঃৰাষ্ট্ৰীয় বিশেষ গৱেষণা আৰু শৈক্ষিক বঁটাৰেও সন্মানিত কৰিছিল। আজি পুৱাই তেখেতৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে ডুমডুমা মহাবিদ্যালয়ৰ লগতে ৰূপাই চাইডিং অঞ্চলত যথেষ্ট শোকৰ ছাঁ পৰে। তেখেতৰ বিয়োগত মহাবিদ্যালয়ৰ পৰিয়ালে এখন শোকসভা অনুষ্ঠিত কৰি মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই ড° ৰহমানৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যৰ্পণ কৰি তেখেতৰ কৰ্মৰাজিয়ে মহাবিদ্যালয়খনক বিশেষ মাত্ৰা দি যোৱাৰ প্ৰসংগ সোঁৱৰাৰ লগতে এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ড° আজিবুৰ ৰহমানৰ মৃত্যুত ডুমডুমা মহাবিদ্যালয় পৰিচালনা সমিতি, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমাৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, ইলোৰা বিজ্ঞান মঞ্চ, ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাচৰিন, ডুমডুমা প্ৰেছ ক্লাব, ডুমডুমা শতদল শাখা সাহিত্য সভা, অসম বিজ্ঞান সমিতিৰ ডুমডুমা আৰু ৰূপাই শাখা, ৰূপাই শতদল শাখা সাহিত্য সভা, ডুমডুমা ছিনিয়ৰ চেকেণ্ডেৰী স্কুলকে আদি কৰি ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত ড° ৰহমানে পত্নী আৰু একমাত্ৰ কন্যাক ইহ সংসাৰত এৰি থৈ গৈছে।

# অপৰাধীৰ বিচৰণস্থলীত পৰিণত যোৰহাটৰ পৰিবহণ নিগমৰ বাছ আস্থান

## মহিলাৰ মৃতদেহৰ ওলাল পৰিচয়, এটা বিশেষ পৰিয়ালক লৈ ৰহস্য

**ই-সংবাদ, যোৰহাট, ১৩ ফেব্রুৱাৰীঃ** অপৰাধৰ ৰম্যভূমি নে এএছটিচি বাছ আস্থান? অসম ৰাজ্যিক পৰিবহণ নিগমৰ যোৰহাট সংমণ্ডল চৌহদে মাতি আনিছে নেকি অশনি সংকেত? যোৰহাটত উদ্ধাৰ হোৱা অচিনাক্ত মৃতদেহৰ এএছটিচিৰে কি সম্পৰ্ক আছিল? সেই প্ৰশ্ন এতিয়া যোৰহাটৰ বিভিন্ন মহলত উত্থাপিত হৈছে। যোৰহাটত এগৰাকী অচিনাক্ত মহিলাৰ অৰ্ধ উলংগ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছৰে পৰা চহৰখনত বিৰাজ কৰিছে তীব্ৰ চাঞ্চল্যাই। অনুসূচিত জাতি পৰিষদৰ যোৰহাট জিলা সমিতিৰ কাৰ্যালয়ৰ পৰিত্যক্ত স্থানত এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছৰে পৰা প্ৰশ্ন উত্থাপন হৈছিল, কোন এইগৰাকী মহিলা, আৰু তেওঁৰ এই অৱস্থাৰ অন্তৰালত কি ৰহস্য লুকাই আছে? অৰ্ধ উলংগ অৱস্থাত উদ্ধাৰ হোৱা মহিলাগৰাকীৰ পৰিচয় অৱশেষত পোৱা গৈছে। মহিলা গৰাকী তিতাবৰৰ বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে মহিলা গৰাকীক অসম ৰাজ্যিক পৰিবহণ নিগমৰ যোৰহাট সংমণ্ডল চৌহদত দেখা বুলি দাবী কৰিছে আস্থান চৌহদৰ ব্যৱসায়ীয়ে। এএছটিচিৰ চৌহদত বিগত বছৰৰো অধিক সময় ধৰি সন্দেহজনক এটা পৰিয়ালে অবৈধভাৱে বাস কৰি আহিছে। আস্থান চৌহদত অবৈধ দখল কৰা পৰিয়ালটোৰ সৈতে একেলগে মৃত মহিলাগৰাকীক দেখা বুলি উল্লেখ কৰে আস্থান চৌহদৰ ব্যৱসায়ীয়ে। ব্যৱসায়ীগৰাকীয়ে কয়, আস্থান চৌহদত অবৈধভাৱে থকা পৰিয়ালটো এবছৰৰো অধিক সময় ধৰি বাস কৰি আহিছে। তেওঁলোকে পুলিচ প্ৰশাসন কাকোৰেই ভয় নকৰে। তেওঁলোকক কোনেও একো ক'ব নোৱাৰে। যদি কোনোবাই তেওঁলোকক প্ৰশ্ন কৰে বা উচ্ছেদ কৰিবলৈ যায় তেতিয়া তেওঁলোক আক্ৰমণাত্মক হৈ পৰে। পৰিবহণ নিগমৰ চকীদাৰেও এওঁলোকক খেদাবলৈ সমৰ্থ নহয়। আস্থান চৌহদৰ ব্যৱসায়ী সকলৰ সৈতেও অভদ্ৰ ব্যৱহাৰ কৰে অবৈধ দখলকাৰী পৰিয়ালটোৱে। আস্থান চৌহদৰ ব্যৱসায়ীয়ে জানিবলৈ দিয়া অনুসৰি এই সন্দেহজনক লোক সকলে নিশাৰ অন্ধকাৰত অসামাজিক কাম-কাজতো লিপ্ত হয়। বিগত বৰ্ষৰ ৬ আগষ্টতেই অসম ৰাজ্যিক পৰিবহণ নিগমৰ যোৰহাট সংমণ্ডল অধীক্ষক বিশ্বজিৎ কলিতাই যোৰহাট আৰক্ষী অধীক্ষকলৈ এই অভিযোগ পত্ৰ দাখিল কৰিছিল, য'ত এই পৰিয়ালটোৰ সন্দৰ্ভত যোৰহাট আৰক্ষীক অৱগত কৰা হৈছিল। কিন্তু কি যোৰহাট আৰক্ষী, কি সংমণ্ডল অধীক্ষক কাকোৰেই ভয় নকৰে এই স্থান দখল কৰি ৰখা পৰিয়ালটোৱে। বৰং এওঁলোকলৈ ভয়হে কৰে বিয়াগোম পৰিবহণ নিগমে। যোৰহাটত উদ্ধাৰ হোৱা মহিলা গৰাকীৰ মৃতদেহটো আস্থান চৌহদৰ পৰা বহু নিলগত উদ্ধাৰ হোৱা নাছিল। যোৰহাট আৰক্ষীয়ে আজি আস্থান চৌহদৰ পৰা চাৰি গৰাকী লোকক ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আটক কৰে। গতিকে সমগ্ৰ ঘটনা এতিয়া সোমাই পৰিছে ৰহস্যৰ আৱৰ্তত। অসম ৰাজ্যিক পৰিবহণ নিগমৰ যোৰহাট সংমণ্ডল চৌহদত ঘটি থকা অসামাজিক কাৰ্যকলাপ ৰোধ কৰাত ব্যৰ্থ সংমণ্ডল অধীক্ষক গৰাকীয়ে এতিয়া কি ভূমিকা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

---

# হাঃ হাঃ ৰিয়েক্ট দি বিপদত প্ৰাক্তন বিধায়কৰ পুত্ৰ, কোকৰাঝাৰত ল'লে জামিন

**ই-সংবাদ, কোকৰাঝাৰ, ১৩ ফেব্রুৱাৰীঃ** ফেচবুকত দুবছৰ পূৰ্বে দিয়া এটা হাঃ হাঃ ৰিয়েক্টৰ বাবেই আজি ঢেকীয়াজুলিৰ পৰা কোকৰাঝাৰলৈ গৈ আদালতত হাজিৰ হ'বলগীয়া হ'ল এজন প্ৰাক্তন বিধায়কৰ পুত্ৰই। প্ৰাক্তন বিধায়কৰ পুত্ৰগৰাকীয়ে ২০২৩ চনত তেতিয়াৰ কোকৰাঝাৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ এটি ফেচবুক পোষ্টত কোনো লোকে কৰা কমেণ্ট হাঃ হাঃ ৰিয়েক্ট কৰিছিল। সেই হাঃহাঃ ৰিয়েক্টৰ বাবেই আৰক্ষী থানাত প্ৰাক্তন বিধায়কৰ পুত্ৰগৰাকীৰ বিৰুদ্ধে কোকৰাঝাৰ থানাত গোচৰ ৰুজু কৰিছিল। উক্ত গোচৰৰ ভিত্তিতে কোকৰাঝাৰ সদৰ আৰক্ষী থানাই সোধ-পোছৰ বাবে ঢেকীয়াজুলি সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত হাবুল চক্ৰৱৰ্তীৰ পুত্ৰ অমিত চক্ৰৱৰ্তীক চলিত বৰ্ষৰ যোৱা ২৩ জানুৱাৰীত ফোনযোগে যোগাযোগ কৰে। কোকৰাঝাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে কি গোচৰত সোধ-পোছ কৰিব সেই সম্পৰ্কে জনাবলৈ অস্বীকাৰ কৰাৰ কথা সদৰী কৰিছে অমিত চক্ৰৱৰ্তীয়ে। উপায়ন্তৰ হৈ অমিতে কোকৰাঝাৰ সত্ৰ ন্যায়াধীশৰ আদালতত জামিনৰ বাবে আবেদন জনায়। উক্ত আবেদনৰ ভিত্তিতে আজি ২০২৩ বৰ্ষৰ গোচৰটোত আদালতে অমিত চক্ৰৱৰ্তীক জামিন প্ৰদান কৰে। চক্ৰৱৰ্তীৰ অধিবক্তাই সংবাদ মাধ্যমক জনোৱা মতে, ২০২৩ চনত তদানীন্তন জিলা আয়ুক্ত বৰ্ণালী ডেকাই দাখিল কৰা এজাহাৰৰ ভিত্তিত কোকৰাঝাৰ থানাত ১৫৩/২০২৩ নম্বৰত তেতিয়াৰ ভাৰতীয় দণ্ড বিধিৰ ১২০ বি, ৩৫৪ ডি আৰু আইটি এক্টৰ অধীনত এটি গোচৰ ৰুজু কৰা হৈছিল। কিন্তু গোচৰ ৰুজু হোৱাৰ পিছতো থানাৰ তৰফৰ পৰা যোৱা দুটা বছৰে অমিত চক্ৰৱৰ্তীৰ সৈতে কোনোধৰণৰ যোগাযোগ কৰা হোৱা নাছিল। প্ৰায় দুবছৰ পিছতহে থানাই অমিত চক্ৰৱৰ্তীৰ সৈতে যোগাযোগ কৰে। গোচৰৰ সবিশেষ চাই আদালতে চক্ৰৱৰ্তীক জামিন প্ৰদান কৰে বুলি জানিবলৈ দিয়ে অধিবক্তাগৰাকীয়ে। ইফালে, দুবছৰ পূৰ্বে তৰা গোচৰত জামিন লাভ কৰি প্ৰাক্তন বিধায়কৰ পুত্ৰ অমিত চক্ৰৱৰ্তী উৎফুল্লিত হৈ পৰে। গোচৰটো সন্দৰ্ভত আশ্চৰ্য প্ৰকাশ কৰি তেওঁ কয়, "মই কমেণ্টো কৰা নাছিলো। নৰেশ বৰুৱা নামৰ এজন লোকে বৰ্ণালী ডেকাৰ এটা ফেচবুক পোষ্টত কমেণ্ট কৰিছিল। কমেণ্টটো বহুত ফানি আছিল। সেয়ে মই হাঃ হাঃ ৰিয়েক্ট কৰিছিলো। তাকো আজি নহয়, ২ বছৰ পূৰ্বেই। কিন্তু থানাই এতিয়াহে মতা বাবে আজি এনেকৈ ঢেকীয়াজুলিৰ পৰা কোকৰাঝাৰলৈ আহি জামিন ল'বলগীয়া হৈছে। আইএএছ বিষয়া এগৰাকীয়ে যদি এইবোৰ সৰু সৰু কথাত সাধাৰণ মানুহক এনেকৈ হাৰাশাস্তি কৰে তেন্তে আমাৰনো আৰু কি উপায় থাকে?" উল্লেখ্য যে, নৰেশ বৰুৱা নামৰ লোকজনে বৰ্ণালী ডেকাৰ পোষ্টটোত "আজি মেকআপত নাই নেকি মেম?" বুলি কমেণ্ট কৰিছিল। সেই কমেণ্টটোতেই হাঃ হাঃ ৰিয়েক্ট দিছিল আজি জামিন লাভ কৰা অমিতে। পৰৱৰ্তী সময়ত নৰেশ বৰুৱাই কমেণ্টটো ডিলিট কৰি দিয়ে যদিও হাঃ হাঃ ৰিয়েক্ট দিয়া অমিতক আইএএছ বিষয়াগৰাকীয়ে ফেচবুকতে ওভতি ধৰাৰ লগতে গোচৰ পৰ্যন্ত ৰুজু কৰে। ফেচবুকত মহিলা আইএএছ বিষয়াক হাঃ হাঃ ৰিয়েক্ট দি ঢেকীয়াজুলিৰ পৰা কোকৰাঝাৰলৈ আহি প্ৰাক্তন বিধায়কৰ পুত্ৰই জামিন ল'বলগীয়া হোৱা কথাটো বিয়পি পৰাৰ পিছতে ছ'চিয়েল মিডিয়াত বিষয়টোৱে নেটিজেনসকলৰ মাজত ব্যাপক চৰ্চা লাভ কৰা দেখা গৈছে। একাংশ লোকে বৰ্তমান নলবাৰী জিলাৰ জিলা আয়ুক্ত হৈ থকা প্ৰায়েই বিতৰ্কৰ আৱৰ্তত সোমাই পৰা আইএএছ বিষয়াগৰাকীয়ে হাঃ হাঃ ৰিয়েক্ট দিয়া বাবেই গোচৰ তৰা কাৰ্যক লৈ একাংশ লোকে আমোদ লোৱাও পৰিলক্ষিত হৈছে।

# আগন্তুক বিটিচি নিৰ্বাচনৰ বাবে কুচকাৱাজ আৰম্ভ বিপিএফৰ, ভৈৰৱকুণ্ডত সাজু ৰিহন দৈমাৰী

## যুদ্ধত নামিব কেবাজনো শীৰ্ষ নেতা, হাগ্ৰামাই দিছে বিশেষ নিৰ্দেশ

**ই-সংবাদ, ওদালগুৰি, ১৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা অনুসৰি আগন্তুক ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হব বিটিচি নিৰ্বাচন। ইয়াৰ পাছতে প্ৰতিটো দলে দেখা-নেদেখাকৈ আৰম্ভ কৰিছে প্ৰস্তুতি। ইয়াৰ মাজতে বিটিচিৰ মূল বিৰোধী দল বিপিএফে ভিতৰি আৰম্ভ কৰিছে নিৰ্বাচনক লৈ প্ৰস্তুতি। দলটোৱে ইতিমধ্যে কেইৱাটাও পাৰিষদীয় সমষ্টিৰ বাবে সাজু কৰিছে প্ৰাৰ্থীৰ নাম। ইয়াৰ মাজতে ওদালগুৰি জিলাৰ অন্তৰ্গত অন্যতম ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হব ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী তথা ওদালগুৰি জিলা বিপিএফৰ সভাপতি ৰিহন দৈমাৰী। যিটো সমষ্টিৰ পৰা বৰ্তমান নিৰ্বাচিত জন প্ৰতিনিধি হৈছে গোবিন্দ চন্দ্ৰ বসুমতাৰী। বসুমতাৰীয়ে বিটিচিৰ উপমূখ্য কাৰ্যবাহী সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে। কেৱল ৰিহন দৈমাৰীয়েই নহয় দলটোৰ কেইৱাগৰাকীও বৰ্তমানৰ বিধায়কে এইবাৰ বিপিএফৰ হৈ বিটিচি নিৰ্বাচনত অৱতীৰ্ণ হোৱাটো একপ্ৰকাৰ প্ৰায় নিশ্চিত হৈ পৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও দলটোৰ কেন্দ্ৰীয় সভাপতি হাগ্ৰামা মহিলাৰীয়ে দলটোৰ প্ৰতিগৰাকী বিধায়ককে ধৰি শীৰ্ষ নেতৃত্বক সাজু হৈ থকাৰ বাবে আহ্বান জনাইছিল। ইফালে জিলাখনৰ আন এক চৰ্চিত পৰিষদীয় সমষ্টি ৰৌতাৰ বাবে নাম চৰ্চিত হৈছে বৰ্তমানৰ মাজবাট বিধানসভা সমষ্টিৰ বিপিএফৰ বিধায়ক চৰণ বড়োৰ নাম। কিন্তু বিষয়টো সন্দৰ্ভত কোনো নিশ্চিত তথ্য প্ৰকাশ পোৱা নাই। অৱশ্যে এক সূত্ৰৰ পৰা লাভ কৰা খবৰ অনুসৰি বিধায়ক বড়োৱে খেলাটো নিশ্চিত নহয় যদিও যদি পৰৱৰ্তী সময়ত দলে দায়িত্ব দিলে সমষ্টিটোৰ পৰা নিৰ্বাচনত খেলেৰ ইংগিত প্ৰদান কৰে। সি যি কি নহওঁক নিৰ্বাচনলৈ প্ৰায় ছমাহ মাজত থকা সময়ত ভৈৰৱকুণ্ড পৰিষদীয় সমষ্টিৰ বাবে ৰিহন দৈমাৰীৰ নাম নিশ্চিত হোৱা দেখা দিছে।

# অন্ধ্ৰপ্ৰদেশত কাম কৰিবলৈ গৈ এসপ্তাহ ধৰি সন্ধানহীন ধেমাজিৰ ভাগ্যৰাম, উদ্বিগ্ন পৰিয়াল

**ই-সংবাদ, ধেমাজি, ১৩ ফেব্ৰুৱাৰীঃ** বহিঃৰাজ্যত কৰ্ম সংস্থাপন বিচাৰি অসমৰ নিবনুৱাই বহু সময়ত সন্ধানহীন আৰু প্ৰাণ হেৰুৱাব লগীয়া হোৱা বিষয়টোৱে এতিয়া উদ্বিগ্ন কৰি তুলিছে সচেতন মহলক। বাৰে বাৰে অসমৰ যুৱক-যুৱতীয়ে কেৱল জীৱিকাৰ তাড়নাত কৰ্ম সংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ গৈ বিভিন্ন সময়ত জীৱনটোকে বিসৰ্জন দি অহা খবৰে সম্প্ৰতি বাতৰিৰ শিৰোনাম দখল কৰি আহিছে। সেই একে কাহিনী সংঘটিত হৈছে ধেমাজি চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত কদমনি গাঁৱত। কদমনি গাঁও নিৱাসী তথা পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ভাগ্যৰাম ভুঞাই একে অঞ্চলৰ এজন লোকৰ সৈতে দক্ষিণ ভাৰতৰ ৰাজ্য অন্ধ্ৰপ্ৰদেশৰ পশ্চিম গোদাবৰী জিলাৰ ভীমাবৰমৰ মণ্ডল লিগেল ছাৰ্ভিচেছ কমিটিস্থিত ফ্ৰী লিগেল এইড ছাৰ্ভিচ নামৰ এটা কোম্পানীত কাম কৰিবলৈ বুলি ঘৰৰ পৰা ৩ ফেব্ৰুৱাৰীত ওলাই যায় আৰু ৫ ফেব্ৰুৱাৰীত সঠিকভাৱে অন্ধ্ৰপ্ৰদেশত উপস্থিত হয়। তেনেদৰে উক্ত স্থানত কাম কৰি থকা সমন্ধীয় এজনক লগ কৰিবলৈ গৈ বাটতে সন্ধানহীন হোৱা বুলি আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰে ভুক্তভোগী পৰিয়ালৰ লোকে। এইক্ষেত্ৰত আজি সপ্তাহ দিন ধৰি পৰিয়াল তথা যথা স্থানত থকা ব্যক্তিসকলেও বিচাৰ-খোচাৰ কৰি নোপোৱাত চিন্তিত হৈ পৰিছে। ইফালে, ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তিজন সন্ধানহীন হৈ পৰাত পৰিয়ালত হাহাকাৰৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত পত্নী আৰু সন্তানে আৰক্ষীৰ পৰা এই সন্দৰ্ভত সহযোগিতা কামনা কৰাৰ লগতে মুখ্যমন্ত্ৰীক ব্যক্তিজনক উদ্ধাৰৰ বাবে কাতৰ অনুৰোধ জনাইছে।

# ডিব্ৰুগড়ত কংগ্ৰেছত যোগদান আঞ্চলিক দলৰ নেতা-কৰ্মীৰ

**ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰীঃ** চোতালে চোতালে ৰাইজক বৰ্তমান বিজেপি চৰকাৰৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে সজাগ কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আৰম্ভ কৰিছে জনজাগৰণ কাৰ্যসূচী। যোৱা ১০ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা জনজাগৰণ কাৰ্যসূচী 'চোতালে চোতালে কংগ্ৰেছ'ত আজি টিংখং আৰু খোৱাং সমষ্টিক সামৰি লয়। টিংখাঙৰ তিনিঠেঙীয়া আৰু খোৱাঙৰ কটোহা নগাঁও এলেকাত আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই উজনিৰ একাংশ জ্যেষ্ঠ কংগ্ৰেছ নেতাক লগত লৈ জনজাগৰণৰ কাৰ্যসূচী আৰম্ভ কৰে। ৰাইজে স্বতঃস্ফূৰ্তভাৱে কংগ্ৰেছৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ হাত শক্তিশালী কৰিবৰ বাবে সংকল্প গ্ৰহণ কৰে। তিনিদিনীয়াকৈ চলা এই কাৰ্যসূচীত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ পিছত পৰ্যায়ক্ৰমে অসমৰ সকলো জিলালৈ লৈ যাব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই জানিবলৈ দিয়ে। ইফালে, ডিব্ৰুগড় জিলা কংগ্ৰেছৰ কাৰ্যালয় ৰাজীৱ ভৱনত অনুষ্ঠিত এক যোগদানৰ কাৰ্যসূচীতো বৰাই অংশগ্ৰহণ কৰে। এজন অৱসৰপ্ৰাপ্ত অভিযন্তা আৰু গড়কাপ্তানি বিভাগৰ ৪জন অৱসৰপ্ৰাপ্ত লোকৰ লগতে আঞ্চলিক ৰাজনৈতিক দলৰ কেবাজনো নেতাই আজি কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে।

# পথ দুৰ্ঘটনাত তামুলপুৰৰ সৰবৰহী যুৱক ৰাহুল ৰাভাৰ মৃত্যু

**ই-সংবাদ, তামুলপুৰ, ১৩ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলা সদৰৰ মাজগাড়ী নিবাসী ৰাহুল ৰাভাৰ পথ দুৰ্ঘটনাত মৃত্যু হয়। জানিব পৰা মতে যোৱা মঙলবাৰে নিশা ওদালগুৰি জিলাৰ মাজবাটৰ তামোলবাৰীত স্কুটিৰে আহি থাকোঁতে এখন দলঙত খুন্দা মৰাৰ ফলত এই পথ দুৰ্ঘটনাটো সংঘটিত হয়। ৰাহুল ৰাভা তামুলপুৰ



আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সক্ৰিয় সদস্য তথা জলসিঞ্চন বিভাগৰ ওদালগুৰিৰ মাজবাটৰ সংমণ্ডলত কনিষ্ঠ অভিযন্তা হিচাপে কৰ্মৰত আছিল। তেওঁৰ মৃত্যুত তামুলপুৰ আঞ্চলিক জিলা ৰাভা ছাত্ৰ সন্থাৰ সকলো বিষয়াববীয়া মৰ্মাহত হোৱাৰ লগতে সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।


# ন এছ টি ন ৰেষ্টঃ ১৬ ফেব্ৰুৱাৰীত অসম বন্ধৰ আহ্বান

# ১৭ ফেব্ৰুৱাৰীত বিটিচি কপাঁৰ সদৌ চাওঁতাল ছাত্ৰ সন্থাই

**ই-সংবাদ, তামুলপুৰ, ১৩ ফেব্ৰুৱাৰীঃ** সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি(এছু)ৰ আহ্বানত তামুলপুৰ জিলা চাওঁতাল ছাত্ৰ সন্থাৰ উদ্যোগত আজি তামুলপুৰ জিলা সদৰৰ ঘগ্ৰাচকৰ লেহোৰাম বড়ো ক্ষেত্ৰত পুৱা ১১বজাৰ পৰা দুপৰীয়া ২ বজালৈ তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰা হয়। অৱস্থান ধৰ্মঘটকাৰীসকলে 'ন এছ টি ন ৰেষ্ট, চাওতাল জনগোষ্ঠীক প্ৰতাৰণা কৰা নচলিব, আদিবাসী আৰু চাওঁতাল একে নহয়, এছ টি আমাক লাগিবই, আমাৰ দাবী নায্য দাবী, আছে ধনু লোৱা নাই ল'লে ধনু ৰক্ষা নাই, বিজেপি চৰকাৰ গ' বেক, বিজেপি চৰকাৰৰ কাম নাই, চাওঁতাল ছাত্ৰ সন্থা জিন্দাবাদ, ভূমিহীন লোকক পুনৰ সংস্থাপন প্ৰদান কৰক আদি ধ্বনিৰে তামুলপুৰৰ আকাশ-বতাহ কঁপাই তোলে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দুৰ্গা চৰেণে কয় যে বিগত বছৰ বছৰ ধৰি সদৌ চাওঁতাল ছাত্ৰ সন্থাই জনজাতি কৰণৰ দাবী জনাই আহিছে। কিন্তু সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত চাওঁতাল জনগোষ্ঠীক জনজাতি বুলি স্বীকৃতি প্ৰদান কৰাৰ পিছতো অসমত চাওঁতালসকলক জনজাতি হিচাপে আজিও স্বীকৃতি প্ৰদান কৰা নহ'ল। জনজাতিৰ বাবে সকলো সমল থকাৰ পিছতো চাওঁতালসকলক ৰাজনৈতিকভাৱে প্ৰতাৰণা কৰি অহাত তেওঁ আশ্চৰ্য প্ৰকাশ কৰি পুনৰ কয় যে চাওঁতালসকলক দমন কৰা এই কাৰ্য কোনো পধ্যেই সহ্য কৰা নহ'ব। শেহতীয়াভাৱে চৰকাৰে চাওঁতালী ভাষাক বিদ্যালয়ত প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে যদিও শিক্ষক নিযুক্তিকে ধৰি যাৱতীয় কাৰ্য ব্যৱস্থা কিন্তু গ্ৰহণ কৰা নাই। আনহাতে, বিগত ১৯৯৬-৯৮ আৰু ২০১৪ চনত গোষ্ঠীগত সংঘৰ্ষত নিহত পৰিয়ালসমূহক পাঁচ লাখ টকাকৈ দিবলৈ দাবী জনাই আহিছে যদিও চৰকাৰৰ গা লৰা নাই বুলি অভিযোগ কৰি তেওঁ ইয়াৰ সমুচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰকাশ কৰে। প্ৰতিবাদস্থলীৰ পৰাই তেওঁ হুংকাৰ প্ৰদান কৰে যে অহা ১৭ ফেব্ৰুৱাৰীত বিটিচি সচিবালয়ৰ সন্মুখত সদৌ চাওঁতাল ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাই নহয় অসম চৰকাৰে চাওঁতাল ছাত্ৰ সন্থাৰ দবী মানি নল'লে অহা ১৬ ফেব্ৰুৱাৰীত সৰ্বাত্মক অসম বন্ধ আহ্বান কৰি অসম স্তব্ধ কৰি দিয়াৰো হুংকাৰ প্ৰদান কৰে নেতাগৰাকীয়ে। ইফালে, চাওঁতাল জনগোষ্ঠীক শীঘ্ৰেই জনজাতিকৰণ কৰা, ভূমি পট্টা প্ৰদান কৰা, বিটিচিৰ গোষ্ঠীগত সংঘৰ্ষত নিহত পৰিয়ালক পাঁচ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া, ভূমিহীন লোকক পুনৰ সংস্থাপন দিয়াকে ধৰি আন কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উল্লেখ কৰি তামুলপুৰ জিলা প্ৰশাসনৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আজিৰ প্ৰদিবাদী কাৰ্যসূচীত সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বিমল কুমাৰ হেমৰম, কেন্দ্ৰীয় সাধাৰণ সম্পাদক চুনিৰাম হেমৰম, ইজৰাইল হেমৰম আৰু তামুলপুৰ জিলা সমিতিৰ সভাপতি থমাছ চৰেণ, সাধাৰণ সম্পাদক উদয় মুৰ্মুকে ধৰি বহু সংখ্যক সদস্যই অংশগ্ৰহণ কৰে।

# কুলশীত মুল্যৱান চোৰাং কাঠ জব্দ, সৰবৰাহকাৰীৰ পলায়ন

**ই-সংবাদ, মিৰ্জা, ১৩ ফেব্ৰুৱাৰীঃ** কামৰূপ পশ্চিম বন-সংমণ্ডল বামুণীগাঁৱৰ অধীনস্থ কুলশী বনবিভাগে ১২ আৰু ১৩ ফেব্ৰুৱাৰীৰ মাজনিশা কুলশী নদীৰ কাষত তিনিটা খাদত কঢ়িয়াই অনা মূল্যৱান কটাৰী কাঠ ধৰা পেলাই জব্দ কৰিবলৈ সক্ষম হয় কামৰূপ পশ্চিম বনসংমণ্ডলৰ অধীনস্থ কুলশী বনবিভাগ কাৰ্যালয়ৰ কৰ্মচাৰীয়ে। এটা নিৰ্দিষ্ট তথ্যৰ ভিত্তিত ১২ ফেব্ৰুৱাৰীৰ সন্ধিয়াৰ পৰা কুলশী নদীৰ বেছিমাৰী ঘাটৰ ওচৰত কুলশী বনবিভাগ কাৰ্যালয়ৰ এটা দলে অভিযান চলাই আছিল। নিশা তেওঁলোকে কুলশী নদীত দুষ্কৃতিকাৰীয়ে কঢ়িয়াই অনা তিনিটা খাদ দেখা পায় আৰু দুষ্কৃতিকাৰীক ৰ'বলৈ নিৰ্দেশ দিয়ে। কিন্তু দুষ্কৃতিকাৰীয় নিৰ্দেশ অমান্য কৰি পলাবলৈ চেষ্টা চলায়। অৱশ্যে বনকৰ্মীয়ে ছিমলিবাৰী ঘাটলৈকে খেদি খেদি গৈ অৱশেষত খাদবোৰ জব্দ কৰিবলৈ সক্ষম হয় যদিও সৰবৰাহকাৰী আন্ধাৰৰ সুযোগ লৈ কুলশী নদীৰ পানীৰ মাজেৰে পলায়ন কৰে। ততাতৈয়াকৈ কটাৰী কাঠখিনি জব্দ কৰি নিৰাপদ জিম্মাত ৰখাৰ বাবে কুলশী ৰেঞ্জৰ বন বিষয়াৰ কাৰ্যালয়লৈ অনা হয়। কাঠৰ উৎস জানিবলৈ আৰু দোষীক গ্ৰেপ্তাৰ কৰিবলৈ তদন্ত অব্যাহত আছে।



# কুলশীত স্বচ্ছতামূলক অভিযান

**ই-সংবাদ, মিৰ্জা, ১৩ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ কুলশীত যোৱা ১২ ফেব্ৰুৱাৰী বুধবাৰে বীৰ চিলাৰায় দিৱস উপলক্ষে কামৰূপ পশ্চিম সংমণ্ডল, বামুণীগাঁৱৰ অন্তৰ্গত কুলশী বনবিভাগ কাৰ্যালয়, কুলশী বনবিভাগ কাৰ্যালয়ৰ বনবিষয়া কংকণ জ্যোতি কৌশিকৰ নেতৃত্বত বনকৰ্মীসকলৰ দ্বাৰা স্থানীয় গাঁওবাসী আৰু স্থানীয় ক্লাব যেনে কুলশী ইউথ ক্লাব, গোলেয়া ছানৰাইজিং ক্লাব আদিৰ সদস্যসকলৰ সহযোগত এক স্বচ্ছতা অভিযানৰ আয়োজন কৰা হয়। এই অভিযানৰ সময়ত কুলশীৰ পথ, কুলশী বজাৰ এলেকা, কুলশী জনজাতীয় হাইস্কুল চৌহদ, কুলশী খেলপথাৰ, কুলশী বন বিভাগ কাৰ্যালয়, কুলশী মেডিকেল চৌহদ আদিকে ধৰি বিভিন্ন স্থান চাফ-চিকুণ কৰা হয়। কুলশীৰ আশে-পাশে পৰিৱেশ পৰিষ্কাৰ আৰু সেউজীয়া কৰি ৰাখিবলৈ অনাগত দিনত সঘনাই এনে অভিযানৰ আয়োজন কৰাৰ সংকল্প লৈছিল বন কৰ্মচাৰী আৰু স্থানীয় ৰাইজে। উল্লিখিত কুলশী বন বিভাগৰ বিষয়া কংকণ জ্যোতি কৌশিকৰ নেতৃত্বত চলা স্বচ্ছতাকেন্দ্ৰিক অভিযানক ভূয়সী প্ৰশংসা কৰে সচেতন মহলে।

# কলগাছিয়াৰ বৰটাৰিত দিনে নিশাই নদী খনন বালি মাফিয়াৰ

**ই-সংবাদ, কলগাছিয়া, ১৩ ফেব্ৰুৱাৰীঃ** কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত আই-মানাহ নদীৰ সংযোগস্থলী বৰটাৰিত দিনে নিশাই নদী খনন অব্যাহত আছে বালি মাফিয়াৰ। কাকো কেৰেপ নকৰাকৈ বালি মাফিয়াই প্ৰতিদিনে দিনে নিশাই চলাই গৈছে অবৈধভাৱে বালি খনন। এই অবৈধ বালি খননৰ ফলত প্ৰতি বছৰে বাৰিষাৰ সময়ত শ শ পৰিয়ালৰ ভেটি মাটি নৈৰ বুকুত বিলীন হোৱাৰ লগতে খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে বৰপেটাৰ পৰা বঙাইগাঁও লৈ যোৱা বৰটাৰিস্থিত পকী ব্ৰীজৰ প্ৰতি। আজি হঠাৎ বঙাইগাঁৱৰ পৰা তিনিজন সাধাৰণ বনকৰ্মীয়ে মুখত কাপোৰ বান্ধি বন বিষয়াৰ অনুপস্থিতিত বৰপেটা জিলাৰ বৰটাৰিস্থিত অবৈধ বালি খননস্থলীত উপস্থিত হৈ তিনিখনকৈ ট্ৰেক্টৰ জব্দ কৰে। পিছে সাংবাদিকে প্ৰশ্ন সোধাত মন্তব্যৰ পৰা বিৰত থাকি ঘটনাস্থলীৰ পৰা ট্ৰেক্টৰ লৈ উধাও হয় তিনি বনকৰ্মী। এতিয়া প্ৰশ্ন হয় বৰপেটা জিলাত বন বিষয়া কৰ্মচাৰী থকা সত্ত্বেও কি কাৰণত বঙাইগাঁৱৰ পৰা ট্ৰেকৰ জব্দ কৰি নিয়ে বনকৰ্মীয়ে। কিয় বৰপেটাৰোড আৰু সৰভোগ বন বিষয়াই এই ক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰিছে? এতিয়া প্ৰশ্ন হয় এই ক্ষেত্ৰত বালি মাফিয়াই বৰপেটাৰোড আঞ্চলিক বন বিষয়া আৰু সৰভোগ খণ্ড বন বিষয়াক মেনেজ কৰি বালি খনন অব্যাহত ৰাখিছে নেকি? কি কাৰণত বৰপেটা জিলাৰ বন বিভাগে এই অবৈধ বালি খনন বন্ধ কৰিবলৈ সক্ষম হোৱা নাই বুলি ৰাইজে প্ৰশ্ন কৰিছে। শীঘ্ৰে এই অবৈধ বালি খনন বন্ধ কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# মাজুলীত বৰদলৈ ট্ৰফীৰ চূড়ান্ত খেলত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, মাজুলী, ১৩ ফেব্ৰুৱাৰীঃ** মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত চলি থকা বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল আজি অনুষ্ঠিত হয় ৰিভাৰাইন ক্লাব আৰু কাৰপুনপুলি একাদশৰ মাজত। খেলৰ আৰম্ভণিতে মাজুলীৰ বহুত গণ্যমান্য ব্যক্তি আৰু বৃহৎ সংখ্যক দৰ্শকৰ উপিস্থিতত এক আনন্দময় পৰিৱেশত অনুষ্ঠিত হয়। খেলখনত দুয়োটা দলে সুন্দৰ প্ৰদৰ্শন কৰিছিল। খেলৰ দ্বিতীয়াৰ্দ্ধত শেষ হ'বলৈ ২১ মিনিট থকা অৱস্থাত এটা অফিছাইড খেল পৰিচালকে নধৰা আৰু তাৰ পিছত অন্য এটা ফাউল নধৰাৰ বাবে কাৰপুনপুলি দলৰ খেলুৱৈ সকল উত্তেজিত হয় ৰেফাৰীক জবাবদিহি কৰে। কিন্তু খেল পৰিচালকে তাৰ বিপৰীতে এজন খেলুৱৈক হালধীয়া কাৰ্ড দেখুৱাই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলাই নিজৰ দোষ ঢাকিব বিচাৰিছিল যদিও কাৰপুনপুলি দলৰ খেলুৱৈ সকলে পৰিচালকৰ এই কাণ্ডত মানি ল'ব বিচৰা নাছিল। খেল পৰিচালকৰ এই ভুল সিদ্ধান্তক লৈ খৰ্গহস্ত হৈ একাংশ খেলুৱৈৰ লগতে প্ৰত্যক্ষদৰ্শী দৰ্শকে খেল পৰিচালকক অপূৰ্ব পেগুক গুৰুলাগুৰকৈ প্ৰহাৰ কৰাত খেল পথাৰত খেল চলি থকাৰ সময়তে উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। কাৰপুনপুলি ক্লাবৰ একাংশ সমৰ্থকে আক্ৰমণৰ লক্ষ্য কৰি লোৱা ৰেফাৰী অপূৰ্ব ৰেগনে প্ৰাণ ৰক্ষাৰ বাবে দৌৰিবলৈ ধৰে যদিও চাৰিও ফালৰপৰা ঘেৰি ধৰাত অপূৰ্ব ৰেগন নামৰ ৰেফাৰীজন গুৰুতৰভাৱে আহত হয়। উপায়ন্তৰ হৈ ঘটনা স্থলীত আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনী উপস্থিত হৈ লাঠি চাৰ্জ কৰে। ফুটবল খেলখনত ৰেফাৰীয়ে এক পক্ষীয় ভূমিকা লোৱাৰ অভিযোগত এই উত্তপ্ত পৰিৱেশৰ সৃষ্টি হোৱা বুলি প্ৰত্যক্ষদৰ্শী খেল উপভোগকাৰী দৰ্শকসকলেও মন্তব্য কৰিছে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অপূৰ্ব ৰেগন বৰ্তমান চিকিৎসাধীন হৈ আছে।

# কামৰূপৰ নগৰবেৰা-বৰপেটাৰ বামুণদংৰা সংযোগী দলং নিৰ্মাণৰ দাবী

**ই-সংবাদ, নগৰবেৰা, ১৩ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ আলোপতি মাজৰচৰ-খোলাবান্ধা হৈ বামুণদংৰাক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত আৰু এখন বৃহৎ দলং নিৰ্মাণ কৰা হ'ব বুলি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত দিয়া বক্তব্য কাৰ্যকৰী কৰাৰ বাবে বিশেষভাৱে আহ্বান জনাইছে ৰাইজে। একাংশ লোকে ব্যক্ত কৰা মতে, বৰপেটা জিলাৰ বৰ্তমানৰ চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ তিনি লক্ষাধিক লোক এসময়ত অবিভক্ত কামৰূপ জিলাৰ বাসিন্দা আছিল যদিও পৰৱৰ্তী সময়ত নতুনকৈ গঠন হোৱা বৰপেটা জিলাৰ লগত সংলগ্ন কৰা হয় এইসকল লোকক। ৰাজনৈতিক স্বাৰ্থৰ বাবেই সম্পূৰ্ণ একপক্ষীয়ভাৱে এইসকল লোকক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিকভাৱে বশ কৰাৰ বাবেই অযুক্তিকৰভাৱে বৰপেটা জিলাৰ সৈতে চামিল কৰা হয়। সেই সময়ৰ চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ এনে ভুল তথা অন্যায়ৰ বিৰোধিতা কৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ লোকসকলক কামৰূপ অথবা গোৱালপাৰাৰ সৈতে চামিল কৰণৰ বাবে গণতান্ত্ৰিকভাৱে আন্দোলনো কৰিছিল অঞ্চলটোৰ শিক্ষিত লোকসকলে। কিন্তু দুৰ্ভাগ্যজনকভাৱে অঞ্চলবাসীৰ আন্দোলন তথা ন্যায্য দাবীক গুৰুত্বহীন কৰি বৰপেটাৰ সৈতেই চামিল কৰা হয়। তেতিয়াৰ চৰকাৰৰ ভুলৰ ফল ভোগ কৰিব লগীয়া হৈছে আজিৰ তিনি লক্ষাধিক লোকে। সাধাৰণ প্ৰশাসনীয় কাম-কাজৰ বাবেও আজি এই অঞ্চলৰ লোকসকলে জিলাখনৰ বিভিন্ন কাৰ্যালয়, আদালত, চিকিৎসালয় আদিলৈ যাবলৈ ব্ৰহ্মপুত্ৰৰ পাৰ হৈ যাবলগীয়া হয়। বিশেষকৈ বাৰিষা কালত এই অঞ্চলৰ লোকসকলৰ যাতায়াত হৈ পৰে অতিকৈ ভয়ংকৰ। ৰাজনৈতিক মেৰপেচত পৰা এইসকলক লোকে জেপৰ ধন খৰচ কৰি সাধাৰণ কামৰ বাবেও বৰপেটালৈ গৈ হোটেলত থাকিবলগীয়া হয়। জিলাখনৰ দক্ষিণপাৰৰ লোকসকলে আজি পৰ্যন্ত কামৰূপ অথবা গোৱালপাৰা জিলাৰ সৈতে চামিল হ'বলৈ দাবী উত্থাপন কৰাৰ লগতে চৰকাৰৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। কিন্তু অৰ্থনৈতিকভাৱে পিছপৰি থকা এইসকল লোকৰ কথা শুনে কোনে? খৰালিৰ সময়ছোৱাত বিভিন্ন প্ৰান্তত বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়াত অব্যাহত ৰাখিছে এই অঞ্চলৰ লোকসকলে। আনকি কামৰূপৰ নগৰবেৰা আৰু বৰপেটা জিলাৰ আলোপতি মাজৰচৰ সংযোগ কৰি বৃহৎ বাঁহৰ দলং নিৰ্মাণ কৰি অব্যাহত ৰাখিছে যাতায়াত। ব্ৰহ্মপুত্ৰ আৰু জলজলি নদীৰ দ্বীপ সদৃশ চৰাঞ্চলত বসবাস কৰা তিনি লক্ষাধিক লোকৰ সৰ্বাংগীন উন্নয়নৰ বাবে নগৰবেৰাৰ পৰা আলোপতি মাজৰচৰ-খোলাবান্ধা হৈ বামুণদংৰাক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰিবলৈ বিভিন্ন সময়ত চৰকাৰক দাবী উত্থাপন কৰি আহিছে।নগৰবেৰাৰ পৰা বৰপেটা জিলাৰ আলোপতি মাজৰচৰক সংযোগ কৰি দলং নিৰ্মাণ কৰিলেও বৃহত্তৰ দক্ষিণ বৰপেটাৰ অৰ্থনৈতিক উন্নয়ন ক্ষীপ্ৰ হোৱাৰ লগতে সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটিব। সমগ্ৰ বিষয়টো এটা ৰাজনৈতিক পক্ষই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ভালদৰে বুজাই দিয়াত বিগত বৰ্ষত বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ নগৰবেৰাৰ পৰা আলোপতি মাজৰচৰ-খোলাবান্ধা হৈ বামুণদংৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ কৰা হ'ব বুলি বক্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এই বক্তব্যৰ পিছতে অঞ্চলবাসী উৎফুল্লিত হৈ মুখ্যমন্ত্ৰীক প্ৰশংসা কৰে। চলিত মাহত পুনৰ মুখ্যমন্ত্ৰীয়ে দুখন জিলাক সংযোগ কৰি দলং নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰাত নগৰবেৰাৰ পৰা আলোপতি মাজৰচৰ হৈ বামুণদংৰা লৈ দলং নিৰ্মাণৰ প্ৰসংগটো আকৌ চৰ্চালৈ আহে। নগৰবেৰা-বামুণদংৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হ'লে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ আশাতীতভাৱে ক্ষীপ্ৰ গতি লাভ কৰাৰ লগতে সামাজিক, ৰাজনৈতিক পৰিৱৰ্তন হোৱাটো নিশ্চিত। বিগত বৰ্ষত বিধানসভাৰ মজিয়াত দিয়া বক্তব্য আৰু শেহতীয়াকৈ দুখন জিলাক সংযোগ কৰি দলং নিৰ্মাণৰ ঘোষণা কৰা মুখ্যমন্ত্ৰীৰ বক্তব্যক কাৰ্যকৰী ৰূপ দি নগৰবেৰা-বামুণদংৰা সংযোগী দলং অথবা নগৰবেৰা-আলোপতি মাজৰচৰ সংযোগী দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কাম সম্পন্ন কৰিবলৈ দুয়োখন জিলাৰ ৰাইজে বিশেষভাৱে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে।

# শুৱালকুছি-শিঙিমাৰী সংযোগী পথত বালি মাটি কঢ়িওৱা ডাম্পাৰ ট্ৰেক্টৰৰ দৌৰাত্ম্যত অতিষ্ঠ ৰাইজ

**ই-সংবাদ, শুৱালকুছি, ১৩ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ শিঙিমাৰী, বৌমাৰী, নিজ গন্ধমৌ আদি বৃহত্তৰ শুৱালকুছি অঞ্চলত অবৈধভাৱে ব্যাপক হাৰত চলিছে ব্ৰহ্মপুত্ৰত পলসুৱা বালি মাটিৰ অবাধ খনন। ব্ৰহ্মপুত্ৰত বালি-মাটি খনন কৰা এইসকল অবৈধ ব্যৱসায়ীয়ে দিনে-নিশাই জিলা প্ৰশাসন, পৰিবহণ বিভাগ, আৰক্ষী প্ৰশাসন, হাজো বন বিভাগৰ সন্মুখেৰে শুৱালকুছি-শিঙিমাৰী-গুৱাহাটী সংযোগী ৰাজপথেৰে ব্ৰহ্মপুত্ৰৰ পৰা ডাম্পাৰ, ট্ৰেক্টৰেৰে বালি-মাটি কঢ়িয়াই একপ্ৰকাৰ অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰিছে বুলি অভিযোগ আছুকে ধৰি বিভিন্ন দল-সংগঠনৰ। স্থানীয় দল-সংগঠনৰ অভিযোগ, হাজো বন বিভাগ তথা প্ৰশাসনৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক মেনেজ কৰি চলাচল কৰা অবৈধ বালি-মাটি কঢ়িওৱা তীব্ৰবেগী ডাম্পাৰ, ট্ৰেক্টৰৰ দৌৰাত্ম্যৰ বাবে প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। আনকি বিদ্যালয়-মহাবিদ্যালয়লৈ অহাৰ সময়ত এইসমূহ গাড়ী নিৰ্বয়ে চলাচল কৰাত উক্ত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজ সমস্যাৰ সন্মুখীন হৈছে। ৰাজপথত তীব্ৰবেগী বালি-মাটি ভৰ্তি ডাম্পাৰৰ পৰা উফৰি অহা ধূলিৰ ফলত উক্ত পথত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে। প্ৰাপ্ত অভিযোগ অনুসৰি, ব্ৰহ্মপুত্ৰৰ পৰা দৈনিক দিনে-নিশাই শ শ বালি ভৰ্তি ডাম্পাৰ চলাচলৰ ফলত শিঙিমাৰী-শুৱালকুছি সংযোগী পথটি ধূলিময় হৈ পৰাত উক্ত পথৰে যাতায়াত কৰা ছাত্ৰ-ছাত্ৰী তথা ৰাইজে যমৰ যাতনা ভোগ কৰিব লগা হৈছে। ইয়াৰ উপৰি অঞ্চলটোৰ বাট-পথকে ধৰি ৰাইজৰ ঘৰ পৰ্যন্ত ধূলিময় হৈ পৰাত জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। শুৱালকুছি-শিঙিমাৰী সংযোগী ৰাজপথত দিনে-নিশাই ডাম্পাৰৰ দৌৰাত্ম্যত বিগত সময়ছোৱাত ডাম্পাৰৰ ফলত দুৰ্ঘটনা সংঘটিত হোৱাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে বহুজন। স্থানীয় দল-সংগঠনে কামৰূপ জিলা প্ৰশাসন, হাজো ৰাজহ চক্ৰ বিষয়া, স্থানীয় আৰক্ষী প্ৰশাসন, বন বিভাগক অভিযোগ দি আহিছে যদিও এই ক্ষেত্ৰত ভ্ৰূক্ষেপ নাই এইসকল সংশ্লিষ্ট বিভাগৰ। সকলো দেখি শুনিও হাজো বনাঞ্চলিক বিষয়া তথা প্ৰশাসন মৌন হৈ থকাত উঠিৰজা বহিৰজা হৈছে এইসকল বালি মাফিয়া চক্ৰ। উল্লেখ্য যে, কামৰূপ জিলা আয়ুক্তই জিলা প্ৰশাসনৰ অনুমতি অবিহনে অবৈধভাৱে বালি-মাটি খনন কৰা সন্দৰ্ভত টাস্ক ফৰ্চ গঠন কৰিছিল যদিও এতিয়ালৈ কোনো ধৰণৰ ব্যৱস্থা নোলোৱা বুলি অভিযোগ কৰিছে স্থানীয় সচেতন ৰাইজে।

# নতুন সাহিত্য পৰিষদ মইনবৰী শাখাৰ সন্মিলন সম্পন্ন, নতুন কমিটী গঠন



**ই-সংবাদ, কলগাছিয়া, ১৩ ফেব্ৰুৱাৰীঃ** সাহিত্যৰ দিশত নতুন যুগৰ সূচনা কৰাৰ লক্ষ্যৰে নতুন সাহিত্য পৰিষদৰ মইনবৰী শাখাৰ চতুৰ্থ সন্মিলন বুধবাৰে নিশা বনঘূগীত সফলতাৰে অনুষ্ঠিত হৈ যায়। সন্মিলন উপলক্ষে বনঘূগী চ'ক বজাৰত সন্ধিয়া ৫:৩০ বজাত শাখাৰ পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰে নতুন সাহিত্য পৰিষদ মইনবৰী শাখাৰ সভাপতি মহিৰ উদ্দিন আহমেদ আৰু শাখা সদস্য মনচুৰ ৰহমানে। পতাকা উত্তোলনৰ পিছত শ্বহীদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। পতাকা উত্তোলনস্থলীত ৰাইজক উদ্দেশ্যি নতুন সাহিত্য পৰিষদ অসম ৰাজ্যিক কমিটীৰ সদস্য শ্বহিদুল ইছলামে ভাষণ আগবঢ়ায়। তাৰ পিছত ১৪৩৪ নং বনঘূগী উত্তৰপাৰা ছোৱালী প্ৰাথমিক বিদ্যালয়ত প্ৰতিনিধি শিবিৰ আৰম্ভ হয়। সভাৰ সভাপতি মণ্ডলী হিচাপে থাকে মহিৰ উদ্দিন আহমেদ, আছিৰ উদ্দিন আহমেদ আৰু মনচুৰ ৰহমান। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু প্ৰতিবেদন পাঠ কৰে নতুন সাহিত্য পৰিষদ মইনবৰী শাখাৰ সম্পাদক আজম আলী পাৰমাণিকে। সভাৰ প্ৰতিবেদন পাঠ কৰাৰ আৰম্ভণিতে ৰাজ্যিক সভাপতি প্ৰয়াত অনন্ত কলিতা, বুদ্ধিজীৱী, সাহিত্যিক, কবি, সমালোচক, সাংবাদিক আৰু অন্যান্য সাহিত্য-সংস্কৃতি আৰু দেশ-মাটি আৰু মানুহৰ বাবে জীৱন উছৰ্গাৰে অৱদান আগবঢ়োৱাসকলৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। প্ৰতিনিধি শিবিৰত অৰ্ধশতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। প্ৰতিনিধি শিবিৰত বিশিষ্ট কবি, সাহিত্যিক শ্বহিদুল ইছলাম, কবি-সমালোচক আব্দুল মাজেদ আহমেদে শ্ব-ৰচিত কবিতা আবৃত্তি কৰে। প্ৰতিনিধি শিবিৰত উদ্বোধনী ভাষণ ৰাখে নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক সদস্য শ্বহিদুল ইছলাম, উদগনিমূলক ব্যক্তব্য ৰাখে নতুন সাহিত্য পৰিষদ বৰপেটা জিলা সদস্য আবু ছায়েদ আহমেদে। পৰ্যবেক্ষক হিচাপে ছফেৰ আলী আহমেদ, আবু বক্কাৰ ছিদ্দিক উপস্থিত থাকে। প্ৰতিবেদন পাঠ কৰাৰ পিছত প্ৰতিবেদনৰ ওপৰত সংশোধন আৰু সংযোজনৰ ওপৰত আলোচনা-পৰ্যালোচনা হয়। পৰ্যালোচনাত কবিতা, কবি, সাহিত্যিকৰ সাৰাংশ আদিৰ সুমধুৰ সুৰৰে ব্যাখা কৰে বৰপেটা বঙাইগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ গোলাম মোস্তাফা আহমেদে। নতুন সমিতিৰ সভাপতি হিচাপে আছিৰ উদ্দিন আহমেদ আৰু সম্পাদক আজম আলী পাৰমাণিক, উপ-সভাপতি হিচাপে মনচুৰ ৰহমান, মাজম আলী আৰু সহকাৰী সম্পাদক হিচাপে শ্বাহাজুল ইছলাম, আলোচনী সম্পাদক হিচাপে ড০ গোলাম মোস্তাফা আহমেদ, কোষাধ্যক্ষ হিচাপে মহিৰ উদ্দিন আহমেদক লৈ ১৫ জনীয়া কমিটী গঠন কৰে। ইয়াৰ উপৰি ১০ গৰাকী প্ৰতিনিধিক জিলা আৰু দুগৰাকীক বিকল্প প্ৰতিনিধি হিচাপে বাছনি কৰে। সমিতিখনত আয়নাল হক চবকাৰ, শ্বাহাজুল ইছলাম, আব্দুৰ ৰশিদ, শ্বহিদুল ইছলাম, ছাহজাহান আলীক উপদেষ্টা হিচাপে ৰখা হয়।

# লোহাজানীত সংঘৰ মাটি বেদখল মিঞাৰ

**ই-সংবাদ, গোলকগঞ্জ, ১৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী চকীৰ অন্তৰ্গত লোহাজানীত বাহিৰৰ পৰা উঠি অহা এটা মিঞা পৰিয়ালে স্থানীয় ক্লাবৰ মাটি দখলক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে দুটা দশকৰ পূৰ্বে লোহাজানীত মিলন সংঘ স্থাপিত হয় যদিও ২০০৯ চনত পঞ্জীয়নভুক্ত হয়। সংঘৰ মাটিত পূৰ্বতে ঘৰ আছিল। কিন্তু চৰকাৰী অনুদানৰ অভাৱত গৃহটো জহি খহি নিঃশ্চিহ্ন হৈ যায়। ইয়াৰ সুযোগ গ্ৰহণ কৰে বাহিৰৰ পৰা উঠি অহা এটা মিঞা পৰিয়ালে। চাৰি পাঁচ দিন পূৰ্বে পৰিয়ালটোৰ অভিভাৱক আজিত আলীয়ে নিশা গুণ্ডাবাহিনীক লগত লৈ মাটিডোখৰত বাঁহ টিনপাতেৰে গৃহ নিৰ্মাণ কৰি বেদখল কৰে। পুৱা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি আশ্চৰ্যচকিত হয়। উপায়হীন হৈ স্থানীয় ৰাইজে আজিতৰ বিৰুদ্ধে হালাকুৰাত আৰক্ষী চকীত এজাহাৰ দিবলৈ যায়। কিন্তু আৰক্ষীয়ে এজাহাৰ নলৈ আদালত যোৱাৰ পৰামৰ্শ দিয়ে। হালাকুৰা আৰক্ষীৰ পৰা সঁহাৰি নাপাই স্থানীয় ৰাইজ অসন্তুষ্ট হৈ পৰে। আজি গাঁওখনৰ ক্ষুব্ধ ৰাইজ একগোট হৈ বেদখলকাৰীৰ ঘৰ-দুৱাৰ ভাঙি দিবলৈ যায়। ৰাইজে ভাঙিবলৈ উদ্যত হোৱাত আজিত আলীৰ পৰিয়ালে নিজে ঘৰত অগ্নিসংযোগ কৰি দিয়ে। ঘটনাটোক লৈ অঞ্চলটোত চেঁপা উত্তেজনাৰ সৃষ্টি হৈছে।

# গোলকগঞ্জৰ বিদ্যালয়ত চুৰিকাণ্ড

**ই-সংবাদ, গোলকগঞ্জ, ১৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰৰ মাজমজিয়াৰ জগমোহন উচ্চতৰ মাধ্যমিক বিদ্যাপীঠত যোৱা নিশা চুৰি কাণ্ড সংঘটিত হোৱা ঘটনাই চহৰখনৰ আইন-শৃংখলাৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা নিশা চোৰে অধ্যক্ষৰ কোঠালীৰ দুৱাৰৰ তলা ভাঙি সোমাই চিচিটিভিৰ মনিটৰ আৰু হাৰ্ড ডিস্ক চুৰি কৰি নিয়াৰ লগতে ৰেকিঙৰ তাঁৰবোৰ ছিঙি লণ্ড ভণ্ড কৰে। ছাউণ্ড ছিছটেমৰ বক্স আৰু স্মাৰ্ট ক্লাছৰ বেটাৰী দুটা লৈ যাব নোৱাৰি বিদ্যালয়ৰ বাহিৰত পেলাই থৈ গুচি যায়। পুৱা বিদ্যালয় কৰ্তৃপক্ষ উপস্থিত হোৱাৰ পিছতে ঘটনা পোহৰ লৈ আহে। এই সন্দৰ্ভত গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰা হয়। বিদ্যালয়ৰ পৰা থানাৰ দূৰত্ব মাত্ৰ দুশ মিটাৰ, তদুপৰি চহৰখনত নিশাৰ ভাগত থাকে আৰক্ষীৰ নিয়মীয়া পহৰা। তাৰ মাজতে চহৰখনত সংঘটিত হৈ আছে এটাৰ পাছত এটাকৈ চুৰিৰ ঘটনা।

১৮১খন বাগিচাক ল'ব সামৰি

# ডিব্ৰুগড়ত চাহ বাগিচাত সু-স্বাস্থ্য সুনিশ্চিত কৰণৰ বাবে এছ বি চি চি কৰ্মশালা

**ই-সংবাদ, ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড় জিলাত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ উদ্যোগত চাহ-বাগিচাৰ প্ৰসূতি আৰু নৱজাতকৰ সু-স্বাস্থ্য নিশ্চিতকৰণৰ বাবে এলানি সামাজিক আচৰণ সলনি কৰণৰ বাবে কৰ্মশালাৰ শুভাৰম্ভণি হয়। তদুপলক্ষে আজি প্ৰথম দিনৰ কাৰ্যসূচীত টেঙাখাত খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত, খণ্ডটিৰ অন্তৰ্গত ২২ খন চাহ-বাগিচাৰ স্বাস্থ্য সহায়ক, লাইন ছৰ্দাৰ আৰু আশা কৰ্মীসকলৰ বাবে কৰ্মশালাৰ আয়োজন কৰি মাতৃ আৰু শিশুৰ সু-স্বাস্থ্য নিশ্চিত কৰিবলৈ চাহ-বাগিচাসমূহত প্ৰযোজ্য হোৱা দিশ সমূহ বিতংভাৱে আলোচনা কৰা হয়। এই কৰ্মশালাখনত চাহ-বাগিচাসমূহৰ নেতৃস্থানীয় পুৰুষসকলক জড়িত কৰাই চাহ-বাগিচাসমূহত মাতৃ-শিশুৰ সু-স্বাস্থ্যৰ লগতে সামূহিক সু-স্বাস্থ্য বৰ্তাই ৰাখিবলৈ পুৰুষসকলৰ লগতে সমুদায়ৰ লোকৰ ভূমিকা আৰু অংশীদাৰীত্বক সুনিশ্চিত কৰিবলৈ বিচৰা হৈছে। তদুপৰি চাহ বাগিচাসমূহত সামূহিক সু-স্বাস্থ্য সুনিশ্চিত কৰণৰ বাবে বাগিচাখনৰ সমাজ বা সমূদায়ৰ সকলো লোকৰে অংশগ্ৰহণৰ প্ৰয়োজনীয়তাক এই কৰ্মশালাৰ জৰিয়তে উপস্থিত অংশগ্ৰহণকাৰীসকলক অনুধাৱন কৰিবলৈ যত্ন কৰা হয়। এই কৰ্মশালাখনত চাহ বাগিচাসমূহত মাতৃ-শিশুৰ সু-স্বাস্থ্যৰ উপৰি সামূহিক স্বাস্থ্য, পৰিপুষ্টি, স্বচ্ছতা, অনাময়, কিশোৰ-কিশোৰীৰ সু-স্বাস্থ্য, স্বাস্থ্যকৰ আচৰণ আৰু বিধি ইত্যাদি প্ৰবৰ্তাই ৰাখিবলৈ চাহ বাগিচাসমূহৰ বাসিন্দাসমূহকো কেনেদৰে অংশীদাৰ কৰি আগবাঢ়ি যাব লাগে সেই সন্দৰ্ভতো আলোকপাত কৰা হয়। উল্লেখ্য যে, স্বাস্থ্যজনিত উল্লিখিত কাৰ্যাৱলীসমূহ চাহ-বাগিচাসমূহত ৰূপায়ণ কৰিবলৈ প্ৰতিখন বাগিচাৰ বাবে একোটাকৈ কো'ৰ কমিটী গ্ৰুপ গঠন কৰা হয়। এই গ্ৰুপে সক্ৰিয়ভাৱে চাহ বাগিচাসমূহত আচৰণ সলনি কৰণ, স্বাস্থ্য সজাগতাৰ সৃষ্টিৰ লগতে স্বাস্থ্য সম্পৰ্কীয় আন আনুসংগিক কৰ্মৰাজিক ৰূপায়ণ কৰাত অগ্ৰণী ভূমিকা পালন কৰিব। উল্লেখ্য যে, ডিব্ৰুগড় জিলাৰ মুঠ ১৮১ খন চাহ বাগিচাৰ প্ৰতিনিধিক লৈ টেঙাখাত, নাহৰণি, বৰবৰুৱা, খোৱাং, লাহোৱাল আৰু পানীতোলা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পৰ্যায়ক্ৰমে খণ্ডভিত্তিক এলানি কৰ্মশালাৰ আয়োজন কৰা হ'ব। এই কৰ্মশালাখনত সমল প্ৰশিক্ষক হিচাপে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, ডিব্ৰুগড়ৰ জিলা গণমাধ্যম বিশেষজ্ঞ ডেইজী গগৈ, পিৰামল সক্ষমৰ জিলা সমন্বয়ক গৌৰী শংকৰ দত্ত, টেঙাখাত খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড আঁচনি প্ৰবন্ধক অনিল মেধি আৰু কমিউনিটি ম'বিলাইজাৰ উচ্চজিৎ ফুকন উপস্থিত থাকে।

# গঁড়ৰ মুক্ত বিচৰণ, মাজুলীৰ পোহাৰদিয়া গাঁৱত আতংক



**ই-সংবাদ, মাজুলী, ১৩ ফেব্ৰুৱাৰীঃ** বিগত কেবাদিনো ধৰি মাজুলীৰ চৰ চাপৰি অঞ্চলসমূহৰ লগতে ভিতৰ অঞ্চল সমূহতো দুই-তিনিটাকৈ গঁড়ে খেতি পথাৰ অনিষ্ট কৰি অহাৰ লগতে গঁড়ৰ মুক্ত বিচৰণৰ ফলৰ ৰাইজ আতংকিত হৈ আহিছিল। বন বিভাগে গঁড় কেইটাক খেদি পঠাবৰ বাবে চেষ্টা কৰিছে যদিও বিফল হোৱা পৰিলক্ষিত হৈছে। আজি দুই-তিনি দিনৰ পৰা এটা গঁড়ে মাজুলীৰ কমলাবাৰীৰ সমীপৰ পোহাৰদিয়া গাঁৱত সন্ধ্যা হ'লেই পথৰ কাষত তথা পথাৰত খেতি খাই অনিষ্ট কৰাৰ লগতে জনবসতি থকা অঞ্চলতো বিচৰণ কৰাৰ খবৰ পোৱা গৈছে। কালিও গাঁওখনৰ পথৰ কাষত নিশা প্ৰায় ৮-৩০মান বজাত গাঁৱৰ যুৱকসকলে গঁড়টো প্ৰত্যক্ষ কৰে। গঁড়টোৰ খবৰ বন বিভাগক জনাবৰ বাবে বন বিভাগৰ লোকক ফোন কৰে যদিও কোনো উত্তৰ নাপালে বুলি জানিবলৈ দিছে। ইফালে, আজিও গাঁওখনত গঁড়টোৱে বিচৰণ কৰি আছে। এই বাতৰি লিখা পৰলৈকে গাঁওখনৰ এঘৰ মানুহৰ জংঘলেৰে ভৰি থকা বাৰী আশ্ৰয় লৈছে গঁড়টোৱে। এই কেইদিন গাঁওখনত গঁড়টোৱে মুক্ত বিচৰণ কৰাত গএৱা আতংকিত হৈ পৰিছে। বন বিভাগক গঁড়টোক উক্ত অঞ্চলৰ পৰা খেদি পঠাবৰ বাবে দাবী জনাইছে ৰাইজে।

## বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিতিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান

# ডিব্ৰুগড়ত হোমেন বৰগোহাঞিৰ দ্বাৰা গঠিত 'কৰুণাধাৰা'ৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰীঃ** ব্যক্তি স্বাৰ্থ অবিহনে উন্নয়নো সম্ভৱ নহয়। কিন্তু সৰহসংখ্যক কামৰ ক্ষেত্ৰত ব্যক্তিগত স্বাৰ্থৰ লগতে সামূহিক স্বাৰ্থও নিহিত হৈ থাকে। কোনো কামত স্বাৰ্থ নেথাকিলেও আত্মতৃপ্তিৰ কথাও জড়িত হৈ থাকে। ইয়াৰ লগত ত্যাগৰ মনোভাৱো থাকিব লাগিব। কাৰণ আপোনালোক আছে বাবেই মই আছো, অৰ্থাৎ আই এম বিকাউজ ইউ আৰ।- এই বক্তব্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাৰ। যোৱা ১২ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ত ন্যাসৰ ডিব্ৰুগড় জিলা সমিতিৰ আতিথ্যত আয়োজিত মানৱ কল্যাণ অনুষ্ঠান 'কৰুণাধাৰা ন্যাস'ৰ পঞ্চদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰদান কৰা নাতিদীৰ্ঘ ভাষণত এই কথা উল্লেখ কৰি উপাচাৰ্যগৰাকীয়ে কৰুণাধাৰা ন্যাসৰ দ্বাৰা সম্পাদিত কল্যাণমূলক কামৰ শলাগ লৈ বিশেষকৈ নতুন প্ৰজন্মক এনেধৰণৰ অনুষ্ঠানৰ স'তে জড়িত হোৱাৰ বাবে আহ্বান জনায়। চহৰখনৰ মানকটা পথৰ কছাৰীবাৰীস্থিত আউনীআটী শাখা সত্ৰ প্ৰেক্ষাগৃহত ৰাজ্যখনৰ মঙলদৈ, গুৱাহাটী, যোৰহাট, লক্ষীমপুৰ, ঢকুৱাখনা, দুলীয়াজান, ডেৰগাঁও, তিনিচুকীয়াৰ ডেৰ শতাধিক হৃদয়ৱান ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত উক্ত সভাত 'বিশেষভাৱে সক্ষমসকলৰ বাবে সামাজিক চিন্তা' শীৰ্ষক বিষয়ক ভাষণ প্ৰদান কৰি এএমচিএইছৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে কয় যে সকলোৱে যদি নিজা নিজা ক্ষেত্ৰৰ পৰা বিশেষভাৱে সক্ষমসকলৰ বাবে কাম কৰে তেন্তে সেয়াই তেওঁলোকৰ বাবে সমাজিক চিন্তা অথবা কাম। আজিৰ সমাজত যিসকল বিশেষভাৱে সক্ষম লোক প্ৰত্যক্ষ কৰিছো সেয়া তেনেই কমসংখ্যক। তেওঁলোকৰ দৰে যাতে পৃথিৱীলৈ নতুন প্ৰজন্ম আহিব নোৱাৰে তাৰ বাবে মাতৃগৰ্ভতে চিনাক্ত কৰি চিকিৎসা কৰাৰ বাবে এটা কেন্দ্ৰ শীঘ্ৰেই অসম চিকিৎসা মহাবিদ্যালয়ত প্ৰতিষ্ঠা হ'ব বুলিও তেওঁ বক্তব্যত উল্লেখ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যাত 'কৰুণাধাৰা ন্যাস'ৰ সচিব (অৰ্থ সাহায্য) ডাঃ নৰেশ্বৰ শৰ্মাই বিগত চৈধ্যটা বৰ্ষত 'কৰুণাধাৰা ন্যাস'ৰ কাম-কাজৰ সম্পৰ্কত চমুকৈ আলোকপাত কৰি কয় যে বৰ্তমানলৈকে ৰাইজৰ দ্বাৰা সংগৃহীত ধনেৰে ২,৭১৮ গৰাকী ব্যক্তিক ৪ কোটি ৭৩ লাখ ৩৮ হেজাৰ ৭৮১ টকা সাহায্য হিচাপে প্ৰদান কৰা হৈছে। ইয়াৰ লগতে বিশেষভাৱে সক্ষম সকলৰ বাবে ন্যাসৰ তৰফৰ পৰা অঞ্চলভেদে বহুকেইটা আঁচনি গ্ৰহণ কৰা হৈছে। তদুপৰি তেওঁলোকৰ মনৰ ভাৱ প্ৰকাশ কৰি ইতিমধ্যে 'অপৰাজেয়' আৰু 'মন' নামৰ দুখন গ্ৰন্থও প্ৰকাশ কৰা হৈছে। ন্যাসৰ ডিব্ৰুগড় জিলা সমিতিৰ যুটীয়া সম্পাদক ৰতন হাজৰিকাই আদৰণি ভাষণ প্ৰদান কৰা আৰু কাৰ্যকৰী সভাপতি জ্যোতিশংকৰ চলিহাই আঁত ধৰা সভাত কৰুণাধাৰা ন্যাসৰ সভাপতি প্ৰতুল ফুকনে কয় যে কৰুণাধাৰা ৰাইজৰ অনুষ্ঠান। এই অনুষ্ঠানটোৱে মানুহৰ মনত ক্ৰমান্বয়ে নাইকিয়া হৈ যাব ধৰা কৰুণাৰ ভাব পুনৰ ঘূৰাই অনাৰ বাবে অহৰহ চেষ্টা চলাই আহিছে। এই প্ৰচেষ্টাত সকলোকে চামিল হ'বৰ বাবে তেওঁ সকলোকে আহ্বান জনায়। সভাত ন্যাসৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ডাঃ প্ৰণয় ফুকনেও ভাষণ প্ৰসংগত কয় যে অসমত দহ লাখৰো অধিক বিশেষভাৱে সক্ষম লোক আছে। এই লোকসকলক সহায়ৰ বাবে এক সংবেদনশীল মনৰ প্ৰয়োজন। সেয়ে কৰুণাধাৰাৰ জৰিয়তে এই লোকসকলক সহায়ৰ হাত আগবঢ়াবৰ বাবে তেওঁ সকলোকে আহ্বান জনায়। সভাত কৰুণাধাৰাৰ মঙলদৈৰ সদস্য শেখৰ মজুমদাৰেও নিজৰ অভিমত ব্যক্ত কৰে। কৰুণাধাৰাৰ শীৰ্ষ গীত পৰিৱেশনেৰে আৰম্ভ হোৱা সভাত মানৱ কল্যাণৰ হকে কাম কৰি অহা ডিব্ৰুগড় জিলাৰ দুটি মানৱ কল্যাণকামী অনুষ্ঠান ক্ৰমে কেঞ্চাৰ প্ৰতিৰোধ আৰু সজাগতাৰ হকে কাম কৰি অহা ডিব্ৰুগড়ৰ "প্ৰতিশ্ৰুতি কেঞ্চাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট" আৰু মৰাণস্থিত "মৰাণ অন্ধ বিদ্যালয়ক" অংগবস্ত্ৰ আৰু গাইপতি পঁচিশ হেজাৰ টকাৰ চে'ক প্ৰদানেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# ১৮ ফেব্ৰুৱাৰীত গুৱাহাটীত মুক্তিযুঁজাৰু সন্মিলনৰ বিশেষ সভা

**ই-সংবাদ, পুৰণিগুদাম, ১৩ ফেব্ৰুৱাৰীঃ** অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ অন্তৰ্গত জিলাসমূহৰ সম্পাদক মণ্ডলীৰ এখন অতি গুৰুত্বপূৰ্ণ সভা অহা ১৮ ফেব্ৰুৱাৰীত গুৱাহাটীৰ ৰূপনগৰস্থিত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ জিৰণি ঘৰৰ প্ৰেক্ষাগৃহত দিনৰ এঘাৰ বজাৰ পৰা অনুষ্ঠিত হ'ব। অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰমোহন শৰ্মাই প্ৰতিখন জিলা মুক্তিযুঁজাৰু সন্মিলনলৈ প্ৰেৰণ কৰা পত্ৰৰ জৰিয়তে সভাৰ বিষয়ে অৱগত কৰাৰ লগতে উক্ত সভাত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ যুটীয়া সচিবগৰাকীও উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে। সভালৈ আহোতে জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদকসকলক সন্মিলনৰ সভাপতি, সম্পাদক আৰু প্ৰতিখন জিলাৰ আয়ুক্তসকলৰ স্বাক্ষৰযুক্ত Joint verification Report ৰ প্ৰতিলিপি লগত লৈ আহিবলৈ ৰাজ্যিক সাধাৰণ সম্পাদকগৰাকীয়ে নিৰ্দেশনা দিয়ে। নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদক নীলৰঞ্জন শৰ্মাই আজি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়ে যে, সমগ্ৰ ৰাজ্যত অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপক জীৱিত মুক্তিযুঁজাৰুসকলৰ লগতে মুক্তিযুঁজাৰু নিৰ্ভৰশীল পেঞ্চনাৰ সকল ক্ৰমে, বিধৱা পত্নীসকল আৰু অবিবাহিত জীয়ৰীসকলে ভোগ কৰি থকা পেঞ্চন সন্দৰ্ভত জিলা প্ৰশাসন আৰু জিলা সন্মিলনৰ দ্বাৰা অব্যাহত আছে যৌথ প্ৰমাণীকৰণ ব্যৱস্থা। স্মৰ্তব্য যে, বিগত বৰ্ষত ৰাজ্যৰ জিলা প্ৰশাসনসমূহ আৰু জিলা মুক্তিযুঁজাৰু সন্মিলনসমূহৰ পৰা পৃথকে-পৃথকে মুক্তিযুঁজাৰু পেঞ্চনাৰৰ তথ্য সংগ্ৰহ কৰাৰ সময়ত ৬৯১ গৰাকী পেঞ্চনাৰৰ এক বৃহৎ ব্যৱধান পোৱা গৈছিল। সেইসমূহৰ পুনৰীক্ষণ কৰাৰ উদ্দেশ্যে যৌথ প্ৰমাণীকৰণ (Joint Verification) কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিখন জিলাৰ আয়ুক্তসকলৰ লগতে জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি-সম্পাদক স্বাক্ষৰিত যৌথ প্ৰমাণীকৰণ (Joint Verification) তালিকাৰ শুদ্ধতাৰ ওপৰতে কুটুম্ব পেঞ্চনৰ বিষয়টো নিৰ্ভৰ কৰিছে। উল্লেখ্য যে, অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনে দেশৰ অন্যান্য ৰাজ্যৰ দৰে আমাৰ অসমতো কুটুম্ব পেঞ্চনৰ দাবী উত্থাপন কৰাৰ লগতে আন কেইবাটাও দাবী দীৰ্ঘদিনৰে পৰা উত্থাপন কৰি আহিছে। নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদকগৰাকীয়ে কাকতলৈ প্ৰেৰণ কৰা প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে যে, নগাঁও জিলাত মুক্তিযুঁজাৰু পেঞ্চন উপভোক্তাসকলৰ সহযোগিতাৰ অভাৱে জিলাখনৰ পৰা চৰকাৰলৈ প্ৰস্তাৱ হিচাপে প্ৰেৰণ কৰা মুক্তিযুঁজাৰু উত্তৰাধিকাৰী পেঞ্চন প্ৰত্যাশীসকলৰ নামৰ তালিকাখনত এক হেণ্ডাৰ সৃষ্টি কৰা উপক্ৰম হৈছে। সমগ্ৰ জিলাখনত অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপক এগৰাকী জীৱিত মুক্তিযুঁজাৰু পেঞ্চনাৰ আছে যদিও নগাঁৱত মুক্তিযুঁজাৰু নিৰ্ভৰশীল পেঞ্চনাৰ ক্ৰমে বিধৱা পত্নী আৰু অবিবাহিত জীয়ৰী বৰ্তমানে কিমান সংখ্যক আছে সেই সম্পৰ্কে আজি পৰ্যন্ত সঠিকভাৱে তথ্য সংগ্ৰহ কৰিব পৰা হোৱা নাই। এইক্ষেত্ৰত নগাঁৱৰ কোষাগাৰ কৰ্তৃপক্ষই জিলা মুক্তিযুঁজাৰু সন্মিলন তথা জিলা প্ৰশাসনক সহযোগিতা আগবঢ়াইছে বুলি জানিব পৰা গৈছে যদিও মুক্তিযুঁজাৰু পেঞ্চন দি থকা বেংকসমূহ ক্ৰমে, পাঞ্জাৱ নেশ্বনেল বেঙ্ক, ষ্টেত বেঙ্ক অৱ ইণ্ডিয়া, চেণ্ট্ৰেল বেংক অৱ ইণ্ডিয়া, ইউকো বেংক আৰু ইণ্ডিয়ান বেংকে তৰিৎ গতিত জিলা সন্মিলনলৈ তথ্য যোগান ধৰা নাই বুলি জানিব পৰা গৈছে।

## চামগুৰিত নকল যোগান ধৰি ব্যক্তিগত খণ্ডৰ শিক্ষক সহ তিনিজন আটক

**ই-সংবাদ, পুৰণিগুদাম, ১৩ ফেব্ৰুৱাৰীঃ** উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ আজি প্ৰথম দিনটোতেই ছাত্ৰক নকল যোগান ধৰাৰ অপৰাধত নগাঁও জিলাৰ চামগুৰি আৰক্ষীয়ে তিনিজন লোকক সোধা-পোছাৰ বাবে আটক কৰে। আৰক্ষীয়ে আটক কৰা এই তিনিজন লোকৰ দুজন ব্যক্তিগত খণ্ডৰ শিক্ষক আছিল বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। আজি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ প্ৰথম দিনত ইংৰাজী বিষয়ৰ পৰীক্ষা আছিল। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰতো পৰীক্ষা আৰম্ভ হোৱাৰ পূৰ্বে দুজন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষকে এজন পৰীক্ষাৰ্থীৰ পকেটত নকল গুজি দি আৰক্ষীৰ ওচৰত ধৰা পৰে বুলি অভিযোগ উত্থাপন হৈছে। চামগুৰি পৰীক্ষা কেন্দ্ৰত পৰীক্ষাৰ পূৰ্বে পৰীক্ষাৰ্থী প্ৰৱেশ কৰাৰ সময়তে নিৰাপত্তাৰ দায়িত্বত থকা এগৰাকী মহিলা আৰক্ষী বিষয়াই নকল যোগানৰ সন্দেহত তিনিজন লোকক আটক কৰে। আটক হোৱা ব্যক্তিগত শিক্ষাখণ্ডৰ শিক্ষক দুজন হৈছে জিয়াৰুল ইছলাম আৰু ইজাজুল ইছলাম। লগতে সহযোগ কৰা আনজন যুৱক হৈছে মেৰাজুল হক। চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ এক সূত্ৰৰ পৰা জানিব পৰা মতে, এজন পৰীক্ষাৰ্থীক এইলোক তিনিজনে নকল যোগান ধৰি পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাত সহায় কৰি দিছিল। পাছত মহিলা আৰক্ষী বিষয়াগৰাকীয়ে ঘটনাটো নিৰীক্ষণ কৰি ছাত্ৰজনৰ পকেটৰ পৰা নকলসমূহ জব্দ কৰি পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়াৰ পাছত সোধা-পোছাৰ বাবে চামগুৰি থানালৈ আনে। অৱশ্যে পৰীক্ষা কেন্দ্ৰ পৰিচালনা সমিতিৰ লগতে আন কোনো লোকৰ পৰা অভিযোগ নোপোৱাত চামগুৰি আৰক্ষীয়ে পৰৱৰ্তী সময়ত লোককেইজনক মুকলি কৰি দিয়ে। আনহাতে, আৰক্ষীয়ে সোধা-পোছাৰ সময়ত লোক তিনিজনে মোৱামাৰীৰ ৰমজান নামৰ আন এজন লোকো নকল যোগানত জড়িত আছিল বুলি প্ৰকাশ কৰে।

## পশ্চিম যোৰহাটৰ চাৰিটা কেন্দ্ৰত উঃ মাঃ পৰীক্ষা অনুষ্ঠিত

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যত আজি অনুষ্ঠিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা অঞ্চলটোৰ দহোটীয়া, সৰ্বোদয়, নামদেউৰী, চৰাইবাহী কেন্দ্ৰত অনুষ্ঠিত হৈছে। ইয়াৰে দহোটীয়া কেন্দ্ৰত দহোটীয়াৰ ১৮০ গৰাকী আৰু পকামুৰাৰ ৮ গৰাকীয়ে পৰীক্ষা দিছে। সৰ্বোদয় ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ কেন্দ্ৰত ২৪২ গৰাকী পৰীক্ষাৰ্থীৰ বিপৰীতে এগৰাকী অনুপস্থিত। নামদেউৰী কেন্দ্ৰত ১৭১ গৰাকীৰ ভিতৰৰে নামদেউৰীৰ ৭১ গৰাকী, আদৰ্শ জনজাতিৰ ৩৮ গৰাকী, মালৌখাতৰ ১২ গৰাকীৰ লগতে নহটীয়াৰ ৫৩ গৰাকীৰ বিপৰীতে এগৰাকী অনুপস্থিত। চৰাইবাহী কেন্দ্ৰত চৰাইবাহী, ব্ৰিলিয়েণ্ড একাডেমী, ধলাজান, প্ৰজ্ঞাদীপসহ মুঠ ২৮৪ গৰাকীৰ পৰীক্ষাৰ্থীৰ বিপৰীতে ৮ গৰাকী পৰীক্ষাৰ্থীৰ অনুপস্থিত। অঞ্চলটোৰ মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৪২ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষা দিছে।

# অগ্নিদগ্ধ হৈ নাট্যকৰ্মী জয়ন্ত দত্ত ডিব্ৰুগড়ত চিকিৎসাধীন

**ই-সংবাদ, ডিব্ৰুগড়, ১৩ ফেব্ৰুৱাৰীঃ** ওৰেটো জীৱন নাটকৰ স'তে কটোৱা, ঘৰ-সংসাৰ-পৰিয়াল সকলোৰে উৰ্ধত নাটকক জীৱন্ত কৰি তুলি ধৰি আজীৱন নাট্য চৰ্চা কৰা নাট্য শিল্প জয়ন্ত দত্ত অগ্নিদগ্ধ হৈ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্লাষ্টিক চাৰ্জাৰী বিভাগত চিকিৎসাধীন হৈ আছে। যোৱা প্ৰায় পাঁচ মাহৰ আগতে নিজৰ ঘৰতে হোৱা এক দুৰ্ঘটনাত তেওঁ অগ্নিদগ্ধ হৈছিল। পিন্ধি থকা কাপোৰত পিছফালৰ পৰা জুই লাগি যোৱাত পিঠিৰফালটো হাতলৈকে জ্বলি গৈছিল। বৰ্তমান জ্বলা অংশ শুকাই যোৱাত তেওঁৰ স্বাভাৱিক জীৱন যাত্ৰাত অসুবিধা হৈছে আৰু যোৱা ১১ ফেব্ৰুৱাৰীত অস্ত্ৰোপচাৰ হৈ যায়। উল্লেখ্য যে যোৱা প্ৰায় তিনি-চাৰিটা দশক তেওঁ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চলত শিশুসকলৰ মাজত নাটকৰ শিক্ষা বিলাই আহিছে। বিভিন্ন অঞ্চলত নাট্য চৰ্চাৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে বহুসংখ্যক নাটক তেওঁৰ পৰিচালনাত মঞ্চস্থ হৈছে। আমাৰ "বুৰুজ (সমাজ জীৱনৰ)" বহুকেইখন নাটক তেওঁৰ পৰিচালনাত মঞ্চস্থ কৰা হৈছে।

# ছিপাঝাৰত বাৰ্ষিক ধৰ্মালোচনা সভাৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ছিপাঝাৰ, ১৩ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ কছাৰীঝাৰস্থিত ঐতিহাসিক কাপোৰপুৰী থানৰ অষ্টাদশ বাৰ্ষিক ধৰ্মালোচনী সভাৰ মূল ৰভা-মঞ্চৰ লাইখুঁটা মাংগলিক নিয়মেৰে স্থাপন কৰে জাতীয় বিদ্যালয় অসম, হাজৰিকাপাৰাৰ অধ্যক্ষ নগেন্দ্ৰ নাথ ডেকাই। উদযাপন সমিতিৰ সম্পাদক যুগল ডেকাই আঁত ধৰা উক্ত অনুষ্ঠানত কাপোৰপুৰী শীৰ্ষক এটি গীত উন্মোচন কৰে বিশিষ্ট অনুবাদক ভাস্কৰ জ্যোতি শৰ্মাই। সভাত বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ লগতে থান পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু উদযাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে, অহা ২৫, ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত শিৱৰাত্ৰি উপলক্ষে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব অষ্টাদশ বাৰ্ষিক কাপোৰপুৰী ধৰ্মালোচনা সভা। তিনিওদিনৰ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে উদযাপন সমিতি তথা থান কৰ্তৃপক্ষই।

# আগমনিত বিলাসী বাহনত গৰু উদ্ধাৰ

**ই-সংবাদ, গোলকগঞ্জ, ১৩ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ সন্মুখৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি সন্ধিয়া পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী বিলাসীবাহনৰ পৰা আৰক্ষীয়ে তিনিটা চোৰাং গৰু উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, সন্ধিয়া গোপন খবৰৰ ভিত্তিত আগমনি থানাৰ সন্মুখৰ ১৭ ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষীয়ে তালাচী চলাই আছিল। সেই সময়তে পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী AS-16 H-0551 নম্বৰৰ ৰিটচ বাহনখন আটক কৰি তালাচী চলায়। আৰক্ষীৰ তালাচীত তিনিটা চোৰাং গৰু মুখ ভৰি বন্ধা অৱস্থাত উদ্ধাৰ হয়। আৰক্ষীয়ে বাহনখনৰ পৰা সৰবৰাহকাৰী দুজনক আটক কৰে। আটকাধীন তামাৰহাট থানাৰ পলাশকান্দিৰ জাহাংগীৰ আলম আৰু আনিচুৰ ৰহমান। চোৰাং গৰুকেইটা ভাৰত-বাংলাদেশ সীমান্তৰ ধৰ্মশালা অভিমুখে নি থকা বুলি সৰবৰাহকাৰী দুজনে আৰক্ষীৰ সোধাত স্বীকাৰ কৰে।

# বালিআটিত ট্ৰেক্টৰ দুৰ্ঘটনাত আহত দুজন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৩ ফেব্ৰুৱাৰীঃ** যোৰহাট জিলাৰ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ-পশ্চিম যোৰহাটৰ বালিআটিত আজি ট্ৰেক্টৰ দুৰ্ঘটনাত পতিত হৈ দুজন লোক গুৰুতৰভাৱে আহত হয়। লোক দুজন বালিআটিৰ চন্দ্ৰ দাস (৩৩) আৰু হেমন্ত দাস (৩২) বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, অঞ্চলটোৰ বিলতিয়াৰ পৰা চেঙেলীআটি সংযোগী পথচোৱাত কৰি আছে নিৰ্মাণৰ কাম। এই পথ নিৰ্মাণৰ কামত ব্যৱহৃত হৈছে কেইবাখনো ট্ৰেক্টৰ। ইয়াৰে এখন ট্ৰেক্টৰ উক্ত লোক দুজনে আজি পুৱা সমীপৰে চাপৰিৰ পৰা আত্মীয় বৰদেউতাকৰ শ্ৰাদ্ধত ব্যৱহৃতৰ বাবে খৰি আনিবলৈ নিছিল। খৰি লৈ উভতি আহোঁতেই এটা কেঁকুৰিত খৰি লৈ অহা ট্ৰেক্টৰখন মথাউৰি সদৃশ পথটোৰ পৰা বাগৰি পৰাত দুয়োজন লোক গুৰুতৰভাৱে আহত হয়। তদুপৰি, দুৰ্ঘটনাগ্ৰস্ত ট্ৰেক্টৰখনে বিদ্যুৎ পৰিবাহী তাঁৰ থকা এটা বিদ্যুতৰ খুঁটাও হাউলায়। ফলত, আঞ্চলটোত বিদ্যুৎ সংযোগ বিচ্ছিন্ন হয়। এই ঘটনাৰ খবৰ স্থানীয় আৰক্ষীক দিয়াত আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত দুয়োজনকে ১০৮ সেৱাৰ জৰিয়তে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুয়োজন লোক চিকিৎসালয়খনতে চিকিৎসাধীন হৈ আছে। উল্লেখ্য, পথ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰা ট্ৰেক্টৰখনৰ চালকেই আছিল চন্দ্ৰ দাস। কিন্তু খৰি আনিবলৈ লগত যোৱা হেমন্ত দাসে ভায়েক চন্দ্ৰৰ পৰা ট্ৰেক্টৰখন বলপূৰ্বক লৈ চলাই আহিছিল যদিও চন্দ্ৰ কাষতে বহি আহিছিল। অনভিজ্ঞ চালক হেমন্ত দাসৰ বাবেই এই দুৰ্ঘটনা হোৱা বুলি স্থানীয় লোকে জনাইছে। হেমন্ত দাসৰ অৱস্থা সংকটজনক। দিনটো বিদ্যুৎবিহীন হৈ থকাত অঞ্চলটোৰ লোকৰ দাবীত এ পি ডি এলে সন্ধিয়া পৰ্যন্ত বিদ্যুৎ সংযোগৰ বাবে প্ৰচেষ্টা চলাই আছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# দন্দুৱাত আছুৰ পঞ্চ শ্বহীদ দিৱস

**ই-সংবাদ, মৰিগাঁও, ১৩ ফেব্ৰুৱাৰীঃ** মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু দন্দুৱা শাখা ছাত্ৰ সন্থাৰ সহযোগত আজি দন্দুৱাত অসম আন্দোলনৰ পাঁচজন শ্বহীদক স্মৰণ কৰি পঞ্চ শ্বহীদ দিৱস উদযাপন কৰা হয়। দন্দুৱাৰ পঞ্চ শ্বহীদ বেদীৰ সমীপত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা এই অনুষ্ঠানত পুৱাৰ ভাগত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰাই। ইয়াৰ পিছতে শ্বহীদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মনে। পুৱাৰ ভাগতে সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰাৰ সভাপতিত্বত পঞ্চ শ্বহীদৰ এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। এই সভাতে পঞ্চ শ্বহীদৰ পৰিয়াল বৰ্গক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ঋপজ্যোতি মেধি, অসম উন্নতি সভাৰ কেন্দ্ৰীয় সম্পাদক অতনু শৰ্মা, অসম সেনাৰ আহ্বায়ক হিমাংশু মহন্ত, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, সাধাৰণ সম্পাদক শিৱ প্ৰসাদ দাসে পঞ্চ শ্বহীদ ত্যাগক শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানত মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ উপদেষ্টা দিপাংকৰ নাথ, অসম সেনাৰ জিলা আহ্বায়ক কুঞ্জ বৰা, প্ৰাক্তন ছাত্ৰ নেতা পৱনজ্যোতি ডেকা, দন্দুৱা শাখা ছাত্ৰ সন্থাৰ সভাপতি হীৰক জ্যোতি বৰুৱা, সম্পাদক দিচাংকু ভড়ালীৰ লগতে সদৰ ছাত্ৰ সন্থা আৰু দন্দুৱা শাখাৰ বহুকেইজন বিষয়ববীয়া, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শতাধিক স্থানীয় লোক উপস্থিত থাকে। আনহাতে, পঞ্চ শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি এটি সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটোৰ শুভ উদ্বোধন কৰে সদৰ ছাত্ৰ সন্থাৰ উপদেষ্টা দিপাংকৰ নাথে। সাংস্কৃতিক কৰ্মী কুঞ্জ বৰাই আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানটোত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিৱেশন কৰে। সন্ধিয়া পঞ্চ শ্বহীদ বেদীত বন্তি প্ৰজ্বলনেৰে দিনজোৰা কাৰ্যসূচীৰ সফল সামৰণি পৰে। উল্লেখ্য যে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ বৃহত্তৰ দন্দুৱা অঞ্চলৰ লম্বোদৰ ডেকা, জুতিকা দেৱী, তৰুণ বৰুৱা, লোচন বৰুৱা আৰু মতিৰাম কাকতিয়ে আজিৰ দিনটোতে আৰক্ষীৰ বন্দুকৰ গুলীত মৃত্যুবৰণ কৰিছিল।



থলগিৰিৰ ভূমি বণিয়াক গতাবলে কৰা ষড়যন্ত্ৰৰ বিৰুদ্ধে গোৱালপাৰাৰ বগুৱানত ৰাইজৰ বিশাল সমাৰেশ

# ভৱানীপুৰৰ মাধৱপুৰ-নকুছি হাইস্কুলত সম্প্ৰদায় উৎসৱ সম্পন্ন

**ই-সংবাদ, ভৱানীপুৰ, ১৩ ফেব্ৰুৱাৰীঃ** সমগ্ৰ শিক্ষা অভিযান, বৰপেটাৰ উদ্যোগত আৰু ভৱানীপুৰ শিক্ষা খণ্ড, মাধৱপুৰ মণ্ডল সমল কেন্দ্ৰৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে ভৱানীপুৰৰ মাধৱপুৰ-নকুছি হাইস্কুলত সম্প্ৰদায় উৎসৱ ২০২৪-২৫ সম্পন্ন হয়। পুৱা ৭ বজাত চাফাই অভিযানেৰে আৰম্ভণি হোৱা উৎসৱৰ কাৰ্যসূচী মৰ্মে পুৱা ৭:৩০ বজাত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধ্ৰুৱ কুমাৰ শৰ্মাই। ৮ বজাত গছপুলি ৰোপণ কৰে বিশিষ্ট ব্যৱসায়ীদ্বয় ক্ৰমে চম্পক কুমাৰ বায়ন আৰু জিতুমণি দাসে। ৮:৩০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ সৰকাৰে। ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে টাপা সত্ৰৰ সত্ৰাধিকাৰ ৰমেন দাসে। জাতি-ধৰ্ম নিৰ্বিশেষে অংশগ্ৰহণ কৰা এই বিশাল শোভাযাত্ৰাত মাধৱপুৰ মণ্ডল সংমণ্ডলটোৰ আঠখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিহু নৃত্য, নাও খেল, হোলী গীত, বাগুড়ুম্বাকে ধৰি বিভিন্ন জনগোষ্ঠীয় সংস্কৃতি প্ৰদৰ্শন কৰে। শোভাযাত্ৰাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে শিক্ষয়িত্ৰী ভনিতা দাসে। ১১ বজাত চিত্ৰ আৰু শিক্ষণ-শিকন সঁজুলি প্ৰদৰ্শনী উন্মোচন কৰে ৰৌমাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জিতেন্দ্ৰ কুমাৰ বৰ্মনে। অনুষ্ঠানত কৰাগাৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কুলৰঞ্জন কলিতাই অতিথি হিচাপে উপস্থিত থাকে। দুপৰীয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভৱানীপুৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি চম্পক কুমাৰ নাথে সম্প্ৰদায় উৎসৱ সন্দৰ্ভত সাৰুৱা ভাষণ ৰখাৰ লগতে তেওঁ কেইবাটাও সংগীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। এই অনুষ্ঠানত ভৱানীপুৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি জগদীশ কলিতায়ো ভাষণ দিয়ে। বিয়লি মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ পাছত কাৰ্যসূচীৰ সমাপন ঘটে। অনুষ্ঠানটো পৰিচালনা কৰে ৰক্তিম কুমাৰ চৌধুৰীয়ে।

# বৰপেটাৰোডত নিষিদ্ধ ড্ৰাগছসহ আটক এজন



**ই-সংবাদ, বৰপেটাৰোড, ১৩ ফেব্ৰুৱাৰীঃ** বৰপেটাৰডত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে বৰপেটাৰোড আৰক্ষীয়ে। আজি বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই বৰপেটাৰোডৰ ৯নং ৱাৰ্ডৰ শক্তি নগৰৰ পৰা নিষিদ্ধ হেৰ'ইনসহ ড্ৰাগছ সৰবৰাহকাৰী যুৱক এজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীটো বৰপেটাৰোডৰ নুৰ হুছেইন (২২) বুলি জানিব পৰা গৈছে। যুৱকজনে দীৰ্ঘদিন ধৰি বৰপেটাৰোডৰ ৯নং ৱাৰ্ডৰ শক্তি নগৰত ভাড়াতীয়া হিচাপে থাকি নিষিদ্ধ হেৰ'ইনৰ ব্যৱসায়ী চলাই আহিছিল। আৰক্ষীয়ে সৰবৰাহকাৰী জনৰ পৰা ২.০০ গ্ৰাম ড্ৰাগছ, ২১টা খালি কন্টেইনাসহ জব্দ কৰে। সন্দেহজনক হেৰ'ইনখিনিৰ জব্দ কৰাৰ লগতে নগদ ৪০হেজাৰ টকা উদ্ধাৰ কৰে।সম্প্ৰতি আৰু অধিক তথ্যৰ বাবে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰীটোক মাৰাথান জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# মৌখোৱা বিলত চাৰি গাঁৱৰ মৎস্য চিকাৰ

**ই-সংবাদ, খুমটাই, ১৩ ফেব্ৰুৱাৰীঃ** গোলাঘাটৰ খুমটাইৰ মৌখোৱা বিলত আজি সমূহীয়াভাৱে মৎস্য চিকাৰ কৰা হয়। পাঁচখন গাঁৱৰ ৰাইজে মৎস্য চিকাৰ কৰি দেখুৱায় ভাতৃত্ববোধৰ অপূৰ্ব নিদৰ্শন। ৩ বছৰৰ মূৰে মূৰে ৫ খন গাঁৱৰ ৰাইজে বিলখনত একেলগে ধৰে মাছ। মৌখোৱা মৎস্য শিল্প সমবায় সমিতিৰ দ্বাৰা ১৯৬৬ৰ পৰাই চলি আহিছে বিলত মাছধৰাৰ এই পৰম্পৰা। মৌখোৱা, নাথগাঁও, ডাবিডুবি, মুদৈপথাৰ আৰু মেলামৰা মজদুৰ গাঁৱৰ ৰাইজে সমূহীয়াভাৱে মাছ ধৰে মৌখোৱা বিলত। জাতি-ধৰ্ম নিৰ্বিশেষে মৎস্য চিকাৰ কৰি সম্প্ৰীতিৰ নিদৰ্শনো দেখুৱাইছে গাঁও কেইখনৰ ৰাইজে। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হৈছে এই মাছ ধৰা পৰ্ব। প্ৰকাণ্ড প্ৰকাণ্ড ৰৌ, বাহু, চিতল, খৰিয়া, বৰালি আদি বিভিন্ন প্ৰকাৰৰ মাছ ধৰিছে কুইন্টলে কুইন্টলে। মৎস্য চিকাৰৰ বাবে মৌখোৱাত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

# ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ভাৰত ৰংগ মহোৎসৱত 'মধুমক্ষিকা'ৰ চমকপ্ৰদ মঞ্চায়ন

■ প্ৰাঞ্জল এ. শৰ্মা



**যোৱা ২৮ জানুৱাৰীৰ** পৰা ১৮ ফেব্ৰুৱাৰীলৈ আয়োজন কৰা ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ বিশ্ব প্ৰসিদ্ধ নাট্য মহোৎসৱ 'ভাৰত ৰংগ মহোৎসৱ'লৈ এইবেলি আমন্ত্ৰিত হৈছিল একাধিক অসমীয়া নাটক। নতুন দিল্লীৰকে ধৰি দেশৰ ৯টা স্থানৰ লগতে শ্ৰীলংকাৰ কলম্বো আৰু নেপালৰ কাঠমাণ্ডুতো অনুষ্ঠিত হৈ আছে ভাৰত ৰংগ মহোৎসৱ।

১২ ফেব্ৰুৱাৰীত নতুন দিল্লীৰ দ্য লিটিল থিয়েটাৰ গ্ৰুপ প্ৰেক্ষাগৃহত সন্ধিয়া ঠিক ৬ বজাৰ লগে লগে মঞ্চস্থ হয় প্ৰসিদ্ধ নাট্যকাৰ হিল্লোল কুমাৰ পাঠক ৰচিত আৰু অসমৰ খ্যাতিমান পৰিচালক,অভিনেতা মানিক ৰয় পৰিচালিত নাটক 'মধুমক্ষিকা'। গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত মঞ্চস্থ হোৱা ইতিমধ্যেই দৰ্শক সমাদৃত নাটকখনে নতুন দিল্লীস্থিত অসমীয়া দৰ্শকসকলৰ লগতে দেশৰ অন্য প্ৰান্তৰ দৰ্শকসকলৰ পৰাও ভূয়সী প্ৰশংসা লাভ কৰে। দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপককে ধৰি একাংশ ছাত্ৰ-ছাত্ৰীয়েও নাটকখন উপভোগ কৰিবলৈ উপস্থিত হয়।

নাটকখনত দিবাকৰ চৌধুৰী নামৰ এগৰাকী ডিমেনছিয়া আক্ৰান্ত বৃদ্ধৰ চৰিত্ৰ অতি দক্ষতাৰে ৰূপায়ণ কৰে পৰিচালক মানিক ৰয়ে। প্ৰিঞ্চৰ চৰিত্ৰত সুন্দৰ অভিনয় কৰে প্ৰনৱ ৰাজখোৱাই। এজন স্কিজোফ্ৰেনিক যুৱক কনৰ চৰিত্ৰত অৰিন্দম বৰাই কৰা অভিনয় আছিল চমকপ্ৰদ। তদুপৰি নাটকখনৰ কেন্দ্ৰীয় চৰিত্ৰ 'মধু'ৰ ৰূপত অভিনেত্ৰী ৰুণুমী শৰ্মাৰ অভিনয়ে উপস্থিত প্ৰতিগৰাকী দৰ্শককে মন্ত্ৰমুগ্ধ কৰি তোলে।

এঘণ্টা দহ মিনিট দৈৰ্ঘ্যৰ নাটকখনে আৰম্ভণিৰ পৰা শেহলৈকে প্ৰতিগৰাকী দৰ্শককে মৌন হৈ প্ৰতিটো সংলাপ অনুধাৱন কৰোৱা বুলি দৰ্শকসকলে নাটকৰ শেষত মন্তব্য প্ৰকাশ কৰে।

নাটকখনৰ সফলতাৰ এটা অন্যতম কাৰণ আছিল অভিজ্ঞ পোহৰ নিৰ্দেশক ডিম্পল কুমাৰ দাসৰ পোহৰ নিৰ্দেশনা। সমান্তৰালকৈ ডিম্পল এছ. কাশ্যপৰ সংগীত সংযোজনে নাটকখনক অন্য এক মাত্ৰা প্ৰদান কৰে। প্ৰতিটো চৰিত্ৰকে জীৱন্ত ৰূপত সাজু কৰি তোলাত প্ৰভুত অৰিহণা যোগায় অৰূপ দাসৰ পটু ৰূপসজ্জাই। নাটকখনৰ চকুত লগা দিশটো আছিল মঞ্চসজ্জা। শিৱম শইকীয়াই সাজু কৰা মঞ্চসজ্জাই নাটকখনৰ সৌন্দৰ্যবৰ্ধন কৰিছিল।

সামগ্ৰিকভাৱে ভাৰত ৰংগ মহোৎসৱৰ দৰে এক বিশ্বমানৰ নাট্য মহোৎসৱলৈ নিৰ্বাচিত হৈ পৰিৱেশন কৰা হিল্লোল কুমাৰ পাঠকৰ কাব্যস্পৰ্শী নাটকখনক মানিক ৰয়ৰ পটু পৰিচালনাই এখন সৰ্বাংগসুন্দৰ আৰু অতিকৈ সফল নাটক হিচাপে গঢ়ি তোলে। নাটকৰ শেষত প্ৰেক্ষাগৃহত বাজি উঠা উদাত্ত কৰতালি তথা উপস্থিত দৰ্শকৰ সৈতে পৰিচালক আৰু নাট্যকাৰৰ লগতে মূল অভিনেত্ৰীৰ আলাপ অনুষ্ঠানটোৰ পৰা বুজিব পৰা যায় যে নাটকখনে দিল্লীৰ এই পৰিৱেশনাত সাফল্য লাভ কৰিলে।



# কলাক্ষেত্ৰত 'মহাৰাজ পৃথু'ৰ সফল মঞ্চায়ন



• ইউ.পি.ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**পৃথুৰ চৰিত্ৰত অভিনয় কৰে কুমাৰেশ দত্তই। বখতিয়াৰ খিলজিৰ চৰিত্ৰ ৰূপায়ণ কৰে ভাৰ্গৱ বৰাই...**

**যোৱা ৯ ফেব্ৰুৱাৰীত** গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত ভাৰত বোধত শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত সফলতাৰে মঞ্চস্থ হয় অসমৰ জনপ্ৰিয় নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰদ্বাৰা ৰচিত বহুচৰ্চিত নাটক 'মহাৰাজ পৃথু'।

কুমাৰেশ দত্তৰ পৰিকল্পনাৰে সাজু কৰি তোলা নাটকখনৰ পৰিচালনা কৰে কুলেন্দ্ৰ ৰায়চৌধুৰী আৰু কুমাৰেশ দত্তই।

পৃথুৰ চৰিত্ৰত অভিনয় কৰে কুমাৰেশ দত্তই। বখতিয়াৰ খিলজিৰ চৰিত্ৰ ৰূপায়ণ কৰে ভাৰ্গৱ বৰাই। তদুপৰি অন্য গুৰুত্বপূৰ্ণ চৰিত্ৰসমূহ ৰূপায়ণ কৰে ভৰেশ দাস,অপু অপুৰ্ব বৰ্মন,জ্যোতিস্মান কাশ্যপ, মুনমী ফুকন, জয়ন্তজিৎ দাস, অন্বেষা প্ৰিয়দৰ্শীনি, নমামি নিজৰা গগৈ, বিকাশ চমুৱা আদিয়ে।

নাটকখনৰ সংগীত অহিৰ ভৈৰৱৰ আৰু পোহৰ তপন বৰুৱাৰ। অসমৰ লগতে ভাৰত বোধত ভাগ ল'বলৈ অহা ভাৰতৰ অন্য প্ৰান্তৰ পৰা অহা দৰ্শকসকলেও নাটকখন উপভোগ কৰি অভিনয় তথা আন সকলো দিশৰ ভূয়সী প্ৰশংসা কৰে।



# চেম্পিয়ন ত্ৰিনয়ন গোষ্ঠী নগাঁৱত বৰদলৈ ট্ৰফী ফুটবল খেলৰ সামৰণি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে নগাঁও জিলাতো চলি থকা ৭০ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চেণ্ট্ৰেল অসমৰ ক্লাষ্টাৰ-৩ৰ নগাঁও জিলা পৰ্যায়ৰ খেলৰ আজি সফলতাৰে সামৰণি পৰিছে। জিলাখনৰ জুৰীয়াৰ বগৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত ত্ৰিনয়ন গোষ্ঠীয়ে ষ্টাৰ স্প'ৰ্টিং ক্লাবক ২-১ গ'লত হৰুৱাই চূড়ান্ত বিজয়ী খিতাপ অৰ্জনৰে পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ৭ আৰু ৯ মিনিটতে ত্ৰিনয়ন গোষ্ঠীৰহৈ লক্ষ্যজ্যোতি দাসে গ'ল দুটা দিয়াৰ বিপৰীতে ষ্টাৰ স্প'ৰ্টিং ক্লাবৰহৈ খেলৰ ৪ মিনিটতে পেনাল্টিযোগে বিশাল লস্কৰে প্ৰথমে গ'লটো দিছিল। খেলখন পৰিচালনা কৰাত ৰেফাৰী দুলাল আহমেদক সহায় কৰে কৃষ্ণ কান্ত দাস, কল্যাণ বৰুৱা আৰু চুচাং আও (চতুৰ্থ)য়ে। ফাইনেল খেলখনৰ আৰম্ভণিতে মুখ্য অতিথি ৰূপহীহাট বিধানসভা সমষ্টিৰ বিধায়ক নুৰুল হুদাৰ লগতে নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া আৰু আয়োজকসকলক খেলুৱৈসকলৰ সৈতে চিনাকি কৰি দিয়া হয়। খেলৰ অন্তত বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, ডাঃ কৃষ্ণ কুমাৰ বৰা, মুখলেছুৰ ৰহমান, অসীম কুমাৰ ভাৰাল, প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য, অনিল দাস, দিগন্ত বৰা, দিলোৱাৰ হুছেইন, ফজলুল হক, ৰাবুল হুছেইন, সুদীপ দাস, নানু দাস, আচিকুৰ ৰহমান, মুজিবুৰ ৰহমানৰ লগতে প্ৰাক্তন খেলুৱৈ, স্থানীয় ভালেকেইগৰাকী ক্ৰীড়া সংগঠক আৰু সমাজকৰ্মীৰ উপস্থিতিত বঁটা বিতৰণ কৰা হয়। জুৰিয়া প্ৰেছ ক্লাবৰ সভাপতি দিলোৱাৰ হুছেইনে জনোৱামতে, নগাঁও জিলাৰ খেলত প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰ উদ্দিন আহমেদ মেচ কমিচনাৰৰূপে আছিল।



ইংলেণ্ডৰ বিৰুদ্ধে শৃংখলা দখলৰ পিছত হাতত বিজয়ৰ ট্ৰফী কঢ়িয়াই কেপ্টেইন ৰোহিত




হাঁহিৰ মহলত অলপ জিৰণি আৰচিবিৰ অধিনায়ক স্মৃতি মান্ধানা আৰু মুম্বাই ইণ্ডিয়ানছৰ অধিনায়ক হৰমনপ্ৰীত কৌৰৰ

**কোহলি, ডু প্লেছিছ নহয়! এইবাৰ ৰজতৰ ওপৰত ভৰষা নেতৃত্বৰ**

# ২০২৫ৰ আইপিএল ছিজনত আৰচিবিক নেতৃত্ব দিব ৰজত পাটিদাৰে

**বেংগালুৰু, ১৩ ফেব্ৰুৱাৰীঃ** ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ নতুন অধিনায়ক হিচাপে নিযুক্ত হ'ল ৰজত পাটিদাৰ। আইপিএল ২০২৫ ছিজনৰ বাবে ৰজতক আৰচিবিৰ অধিনায়ক হিচাপে ঘোষণা কৰে নেতৃত্বই। যাৰ বাবে আগন্তুক আইপিএল ছিজনত ফাফ ডু প্লেছিছৰ ঠাইত আৰচিবিক নেতৃত্ব দিবলৈ সাজু হৈছে মধ্যপ্ৰদেশৰ ক্ৰিকেটাৰগৰাকীয়ে। ইফালে, দলৰ তাৰকা বেটছমেন বিৰাট কোহলিয়ে নতুন অধিনায়ক পাটিদাৰৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰিছে। তেওঁ কয় যে যোৱা কেইবছৰমানৰ পৰা ৰজতৰ খেলৰ বহুখিনি উন্নতি হৈছে। ভাৰতৰ হৈ খেলাৰ সুযোগ পাই তেওঁৰ বেটিঙে নতুন উচ্চতা লাভ কৰিছে। ৰাজ্যিক দলৰ অধিনায়কত্বৰ অভিজ্ঞতা তেওঁৰ আছে, যিয়ে প্ৰমাণ কৰে যে তেওঁ আৰচিবিৰ দৰে ডাঙৰ ফ্ৰেঞ্চাইজিৰ নেতৃত্ব দিয়াৰ যোগ্য। উল্লেখ্য যে, ২০২১ চনৰ পৰাই আৰচিবিৰ হৈ খেলি আহিছে ৰজত পাটিদাৰে। মধ্যপ্ৰদেশৰ এইগৰাকী বেটছমেনে প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ধাৰাবাহিকভাৱে উৎকৃষ্ট প্ৰদৰ্শন কৰি নিজকে প্ৰতিষ্ঠা কৰিছে। ২০১৫-১৬ বৰ্ষৰ ৰঞ্জি ট্ৰফীত মধ্যপ্ৰদেশৰ হৈ অভিষেক ঘটোৱাৰ পিছৰে পৰা ৰঞ্জি ট্ৰফী, বিজয় হাজাৰে ট্ৰফী আৰু চৈয়দ মুস্তাক আলী ট্ৰফী আদি প্ৰতিযোগিতাত ধাৰাবাহিকভাৱে ভাল প্ৰদৰ্শন আগবঢ়াইছে পাটিদাৰে।২০২১ চনৰ আইপিএলৰ নিলামত প্ৰথমবাৰৰ বাবে আৰ চি বিৰ দলত স্থান লাভ কৰিছিল পাটিদাৰে। অৱশ্যে প্ৰথমাৱস্থাত টিম ১১ত বিশেষ সুযোগ লাভ কৰা নাছিল তেওঁ। বেটিং দক্ষতাৰ বাবে পৰিচিত ৰাইট হেণ্ডেড বেটছমেনগৰাকীয়ে মিডল অৰ্ডাৰত খেলি দলৰ বাবে উল্লেখ্যযোগ্য ভূমিকা পালন কৰি আহিছে।

# ডুমডুমা কাপৰ সামৰণি, গুৱাহাটী ৰাজ্যিক ফুটবল একাডেমী একাদশ চেম্পিয়ন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৩ ফেব্ৰুৱাৰীঃ** ডুমডুমাত প্ৰথমবাৰৰ বাবে আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আমন্ত্ৰণমূলক মহিলা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা ডুমডুমা কাপ-২০২৫ৰ কালি সফল সামৰণি পৰে। ডুমডুমাৰ নগৰ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত খেল গুৱাহাটী ৰাজ্যিক ফুটবল একাডেমী একাদশ আৰু দুলীয়াজান অইল লক্ষ্য মহিলা একাদশৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত ৰাজ্যিক ফুটবল একাডেমীৰ হৈ মেৰী মেচ আৰু পূজা পাচীয়ে দুটা গ'ল দিয়ে। যাৰ ফলত অইল লক্ষ্য একাদশ ২-০ গ'লৰ ব্যৱধানত পৰাস্ত হয়। ইয়াৰ পূৰ্বে কিক অফ কৰি খেল উদ্বোধন কৰে তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক অৰূপ ৰাজখোৱাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰতীম নেওগ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণ মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, জিলা ক্ৰীড়া সন্থাৰ কেইবাগৰাকী বিষয়া, ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰন্ধৰাৰ উপৰিও বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। খেলৰ অন্তত অনুষ্ঠিত হোৱা বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি তথা ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া, তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক জয়ন্ত দহোতীয়া, বিশিষ্ট ক্ৰীড়া সংগঠক অৰ্জুন মৰাণ, ডুমডুমা প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক ললিত তাঁতী, প্ৰতিযোগিতা পৰিচালনা সমিতিৰ যুটীয়া সম্পাদকদ্বয় ৰাণা সোনাৰ আৰু ধীৰাজ গোঁহাই। অনুষ্ঠানতেই বিজয়ী আৰু বিজিত দলক নগদ মাননীসহ বঁটা প্ৰদান কৰা হয়। মুঠ ১০টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ গলৰক্ষকৰ বঁটা লাভ কৰে অইল লক্ষ্য একাদশৰ নেহা ডেকাই। শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ৰাজ্যিক ফুটবল একাডেমীৰ দশমী ৰাউতীয়াই।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি